
# দিবাঙৰ পৰা লুইতলৈ

## দেউৰী লোক-কাহিনী সংকলন



### ষড়ানন দেউৰী

***DIBANGAR PARA LUITULOI*** **:** A collection of Deori folk tales by Sri Saranan Deori, M.A., M. Phil. and published by the Director, Assam Institute of Research for Tribals and Scheduled Castes, Jawaharnagar, Guwahati - 22.
First Edition : 2010, Price Rs. *25.00*

© ও সংগ্ৰাহক ঃ ষড়ানন দেউৰী
(এই গ্ৰন্থত সন্নিবিষ্ট লোক-কাহিনীসমূহ পুণৰ মুদ্ৰন কৰা অথবা চলিচ্চত্ৰ ৰূপ আদি দিবলৈ হ'লে লেখকৰ আগতীয়া অনুমতি লাগিব।)

প্ৰকাশক ঃ অসম জনজাতি আৰু অনুসূচিত জাতি গৱেষণা প্ৰতিষ্ঠান, জৱাহৰনগৰ, গুৱাহাটী-২২

প্ৰথম প্ৰকাশ ঃ ২০১০

মূল্য ঃ ২৫.০০ টকা

মুদ্ৰক ঃ বহ্নিমান প্ৰিন্টাৰ্ছ
গুৱাহাটী

# PREFACE

The Assam Institute of Research for Tribals and Scheduled Castes, Guwahati under the aegis of Ministry of Tribal Affairs, Government of India, have been providing grants-in-aid to authors for publication of books written on different aspects of Tribals and Scheduled Castes people of Assam. The scheme is basically known as 'Grants-in-Aid for Literary Works for Scheduled Castes and Scheduled Tribes'. The scheme has been made successful by the scholars and the authors of the State for their literary contributions. As a part of this popular scheme, the book on **"Dibangar Para Luituloi"** by **Saranan Deori** has been sponsored by the Institute for publication. It is expected that the book will provide interest to the readers and fulfill their needs to some extent. We look forward for comments and suggestions from the readers.

I am grateful to the Ministry of Tribal Affairs, Government of India, and Welfare of Plain Tribes and Backward Classes Department of Assam for providing financial assistance for implementation of the scheme.

I also offer my thanks to the officers and staff of this Directorate for their help and co-operation.

Finally, I like to extend my thanks to M/s. Bohniman Printers, Guwahati for their help and co-operation in bringing out the book.

Dated Guwahati,
the 1st November, 2010

(G.C. Kakati)
(Director, i/c)
Assam Institute of Research for
Tribals and Scheduled Castes,
Guwahati-22

# আগকথা

গাঁৱলীয়া চহা তথা অশিক্ষিত সমাজত মুখেমুখে (Orally) কিছুমান কাহিনী পৰম্পৰাগতভাৱে প্ৰচলন হৈ থাকে। কেৱল কাহিনী অথবা জনশ্ৰুতিয়েই নহয়; গীত-মাত, সামাজিক বিধি ব্যৱস্থা আদিও এৰাব নোৱাৰাকৈয়ে সমাজত তেনেদৰে লিপিত খাই থাকে। এইবিলাকৰ আৰম্ভণীৰ কাল থিৰাং কৰা বৰ সহজ কাম নহয়। ইংৰাজী ভাষাত এইবিলাকে পৃথকে পৃথকে folk-tales, folk-songs, folklores, folklaws আদি পৰিভাষিক ৰূপ গ্ৰহণ কৰা পৰিলক্ষিত হয়।

১৯ শতিকাৰ ভাষা-সাহিত্যৰ পণ্ডিতসকলে লোক-সংস্কৃতিৰ সমলৰাজি পৰীক্ষা-নীৰিক্ষা কৰি প্ৰধানকৈ দুটা ভাগত ভাগ কৰি অভিজাত, ভদ্ৰ বা বিশিষ্ট শিক্ষিত সমাজ (Elite Society) আৰু গাঁৱলীয়া চহা খেতিয়ক, অশিক্ষিত লোক বা জনসমাজ (Folk society) পৰিভাষাৰে চিনাক্তকৰণৰ ব্যৱস্থা কৰা দেখা যায়। তেওঁলোকৰ মতে, 'Elite' সমাজ এটা থাকিলে নিশ্চয়কৈ ইয়াৰ বিপৰীতে 'Folk' সমাজ এটাও থাকিব লাগিব। গতিকে এই দুটাৰ এটাক বাদ দি আনটো ধাৰণা কৰাতো কোনো যুক্তি থাকিব নোৱাৰে বুলি এক শ্ৰেণীৰ পণ্ডিতে মতপোষণ কৰে।

লোক-কাহিনী বা জনশ্ৰুতি, লোকগীত আদিৰ মাধ্যমৰে এটা সমাজৰ অতীত সম্পৰ্কে বহুখিনি তথ্য আহৰণ কৰিব পৰা যায়। পৃথিৱীৰ অন্যান্য সমাজ সমূহৰ দৰে দেউৰী লোকসমাজতো পৰম্পৰাগতভাৱে অতীতৰ পৰাই অনেক লোক-কাহিনী, লোকশ্ৰুতি, গীত-মাত আদি প্ৰচলিত হৈ আহিছে। অতীতৰ দেউৰীসকলৰ প্ৰব্ৰজন, ধৰ্ম, ভাষা, সমাজ-সংস্কৃতি আদিৰ ক্ষেত্ৰত তেনে মৌখিক (Oral) সাহিত্যই বহু মূল্যবান সমল ডাঙি ধৰিছে। সেয়েহে দেউৰী জনগোষ্ঠীৰ বুৰঞ্জী অথবা তেওঁলোকৰ অতীত পৰিচিতিৰ সম্পৰ্কত লিখি প্ৰকাশ কৰাৰ ক্ষেত্ৰত প্ৰচলিত মৌখিক-সাহিত্যৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিব লাগিব। দেউৰী জনগোষ্ঠীৰ মাজত এনে কিছুমান সামাজিক লোক-কাহিনী বা জনশ্ৰুতি চলন্তি হৈ আছে যি বিলাক চীনদেশকে ধৰি দক্ষিণ-পূৰ্ব এচিয়াৰ বসবাসী বিভিন্ন জনগোষ্ঠী আৰু বিশেষকৈ টাই-শ্যান বংশৰ আহোম জাতিৰ মাজতো দেখিবলৈ পোৱা যায়। কাহিনীৰ মূল বিষয়বস্তু একে হলেও কালক্ৰমত ইবিলাক স্থানীয় ৰূপত বিকশিত হোৱাটো উল্লেখযোগ্য বিষয়। উদাহৰণস্বৰূপে - 'গৰু গা-ধুওৱা প্ৰথাৰ উৎপত্তিৰ লোক-কাহিনী', 'জমতিং ৰজাৰ সম্পৰ্কত লোক-কাহিনী', 'খুন্তৱান দেশৰ লেক'ৰাই ৰজা' আদি লোক-কাহিনীৰে কিছুমান জাতি-জনগোষ্ঠীৰ ওচৰলৈ দেউৰী জনগোষ্ঠীটোক চপাইলৈ যোৱা কথাটো অস্বীকাৰ কৰা নাযায়। অৱশ্যে মৌখিক লোক-সাহিত্য সমূহ উদ্দেশ্যধৰ্মী। বিশেষ উদ্দেশ্য আগত ৰাখি এইবিলাক ৰছনা কৰা হৈছিল। যি উদ্দেশ্যৰে এই সাহিত্যৰাজি সৃষ্টি নকৰক কিয়, এই বিলাকৰ মাধ্যমৰে সমকালীন সমাজ একোটাৰ প্ৰতিছবি ফুটি উঠে।

প্ৰাশ্চাত্য দেশৰ বিখ্যাত লিখক, চিন্তাবিদ তথা দাৰ্শনিক ৰবাৰ্ট ৰেড্‌ফিল্ডে এটা মন্তব্য আগবঢ়াই থৈ গৈছে যে, আধুনিক মহাসভ্যতা (Great Civilisation) সমূহেই হৈছে লোক-সমাজ (Folk Society), লোক-সাহিত্য আৰু সংস্কৃতিৰ প্ৰধান ঘাতক। এই মন্তব্যৰ সত্যতা অস্বীকাৰ কৰিব নোৱাৰি। আধুনিক শিক্ষাৰে উন্নত সমাজ এটি গা-কৰি উঠাৰ লগে লগে দেউৰী সমাজক সকলো ফালৰ পৰা অবিৰতভাৱে পৰিৱৰ্তন অনা হৈছে আৰু আন ফালেদি পুৰণি সমাজ-সংস্কৃতি, লৌকিক-মৌখিক সাহিত্যসমূহ অৱহেলা অথবা অনাদৰ কৰি আজি হেৰাই যোৱাৰ উপক্ৰমত অৰিহণা যোগাইছে।

যোৱা ষাঠী-সত্তৰৰ দশকত ডম্বৰুধৰ দেউৰী, বিশ্বকান্ত দেউৰী ভৰালী তথা আন কিছুমান বৰেণ্য দেউৰী লিখক সকলে দেউৰী লোক-কাহিনীসমূহ বা গীত-মাতসমূহ উদ্ধাৰ কৰাৰ প্ৰচেষ্টা হাতত লৈছিল। তেতিয়াৰেপৰা প্ৰায় চাৰি-পাঁচ দশক কাল উকলি যোৱাৰ অন্তত শ্ৰীষড়ানন দেউৰী ডাঙৰীয়াই দেউৰী লোক-কাহিনী সমূহ উদ্ধাৰ আৰু সংৰক্ষণৰ ব্যৱস্থাৰে মুঠ কুৰিটাতকৈ অধিক লোক-কাহিনী সংকলন কৰি প্ৰকাশৰ প্ৰচেষ্টা কৰা দেখি আমি বৰ সন্তোষ লাভ কৰিছোঁ। শ্ৰীদেউৰী বৰ্তমান দেউৰী সমাজৰ মাজত এগৰাকী বিশিষ্ট চিন্তাবিদ, সাহিত্যিক ও গৱেষক হিচাপে প্ৰতিষ্ঠিত ব্যক্তি। লিখকৰ মহান উদ্দেশ্য আৰু কাৰ্যৰ সফলতা কামনা কৰিলোঁ।

শ্ৰীদেউৰীৰ সু-স্বাস্থ্য কামনা কৰি ভৱিষ্যতেও এনে সাহিত্য কৰ্মৰ সোৱাদ পাম বুলি আশা পালি ৰলোঁ।

যতীন্দ্ৰ কুমাৰ দেউৰী
কহিমা (নাগালেণ্ড)

তাং ১৯/০৮/২০০৯

# 'দিবাঙৰ পৰা লুইতুলৈ' গ্ৰন্থৰ সম্পৰ্কে একলম

'দিবাঙৰ পৰা লুইতুলৈ' গ্ৰন্থ সংকলনটি দেউৰী লোক-সমাজত প্ৰচলিত হৈ থকা লোক-কাহিনী সমূহৰ আধাৰত প্ৰস্তুত কৰি উলিওৱাৰ প্ৰয়াস কৰা হৈছে। 'দিবাঙৰ পৰা লুইতুলৈ' নামৰ এই গ্ৰন্থখনিত উল্লেখিত 'লুইতু' শব্দটি 'লুইত'ৰ সমাৰ্থক ৰূপে ব্যৱহাৰ কৰি লোৱা হৈছে। দেউৰী ভাষাত 'লুই' মানে দীঘল আৰু 'তু' মানে হল- দ, গভীৰ, অৰ্থাৎ দীঘল, দ বা গভীৰ নদী 'লুইতু' বা লুইত।

ভাৰতবৰ্ষৰ পূৰ্বাঞ্চলত বসবাস কৰি অহা খিলঞ্জীয়া দেউৰী জনগোষ্ঠীৰ লোক-সাহিত্য অতি চহকী যদিও সেইবোৰ পৰ্যাপ্ত পৰিমাণে সংৰক্ষণৰ অভাৱত কালৰ গহ্বৰত নিঃশেষ হৈ যোৱাৰ উপক্ৰম। তাৰে প্ৰধান আৰু বলিষ্ঠ উপাদান ৰূপে চিহ্নিত লৌকিক-সাহিত্য হল সাধুকথা বা লোক-কাহিনী। জনগোষ্ঠীটোৰ সাধু-কথাক লৈ ইতিমধ্যে খনচেৰেক নহলেও এখনমান হলেও গ্ৰন্থ আকাৰে প্ৰকাশৰ মুখ দেখা পাইছে। কিন্তু লোক-কাহিনীৰ আধাৰত আজিকোপতি গ্ৰন্থ সংকলন হোৱা দৃষ্টিগোচৰ হোৱা নাই। অ'ত ত'ত সিচঁৰতি হৈ থকা আৰু গাঁৱে-ভূঁয়ে পুৰণি বুঢ়া-মেঠাৰ মুখৰ পৰা শুনি-বুজি অহা লোক-কাহিনী সমূহ পাৰ্যমানে গোটাই এই সংকলনটি প্ৰস্তুত কৰা হ'ল। ইয়াৰ মাজেদি জনগোষ্ঠীটিৰ আত্ম-পৰিচয় (identity), নৃ-তাত্ত্বিক, ঐতিহাসিক, ধৰ্মীয় আদি আধাৰত জড়িত হৈ থকা দিশবোৰ প্ৰকাশ হোৱাৰ সম্ভাৱনা আছে। তেনে এটি উদ্দেশ্য আগত ৰাখিয়েই সংকলনটি যুগুত কৰা হ'ল। সংকলন খনি যুগুত কৰাত কিছুমান গ্ৰন্থ, পত্ৰিকা, স্মৰণিকা, মুখপত্ৰ আৰু ব্যক্তি বিশেষৰ সহায় লোৱা বাবে ঋণ স্বীকাৰ কৰিলোঁ। গ্ৰন্থখনি প্ৰকাশৰ বাবে ব্যৱস্থা কৰাৰ বাবে অসম জনজাতি আৰু অনুসূচীত জাতি গৱেষণা প্ৰতিষ্ঠানৰ সঞ্চালকালয়ৰ শলাগ ললোঁ।

আগকথা লিখি দিয়াৰ বাবে সুদূৰ নাগালেণ্ডৰ বাসিন্দা সুলেখক শ্ৰীযুত যতীন্দ্ৰ কুমাৰ দেউৰী দেৱলৈ মোৰ আন্তৰিক শ্ৰদ্ধা যাচিলোঁ।

গ্ৰন্থখন ছপাই দিয়াৰ বাবে বহ্নিমান প্ৰিন্টাৰ্ছৰ স্বত্বাধিকাৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। পুথিখন ডি.টি.পি. কৰি দিয়াৰ বাবে ৰমেশ চন্দ্ৰ শৰ্মালৈ অশেষ ধন্যবাদ থাকিল।

মোৰ সহধৰ্মিণী ৰূপ আৰু কন্যাদ্বয় মাৰ্চি (ৰিম) আৰু আৰ্চি (জিম)ৰ অকৃত্ৰিম উৎসাহ আৰু অনুপ্ৰেৰণাই এনে কামত ব্ৰতী হোৱাত সহায় কৰা বাবে তেওঁলোকলৈ মোৰ আন্তৰিক স্নেহ যাঁচিলো।

সদৌ শেষত অবাঞ্ছিত ভুল-ক্ৰটিৰ মাৰ্জনাৰে পঢ়ুৱৈ সমাজৰ সমাদৰ আশা কৰিলোঁ।

ষড়ানন দেউৰী
লেখক
'চুচিয়াঁ' বশিষ্ঠ- ২৯
তাং ৩০-৩-২০০৮

# সূচীপত্ৰ


| | | |
|---|---|---|
| ১। | পৃথিৱীৰ জীৱ-জগত সৃষ্টিৰ লোক-কাহিনী | ১ |
| ২। | দেউৰী মানৱগোষ্ঠী সৃষ্টিৰ লোক-কাহিনী | ২ |
| ৩। | 'মিৰুচি'ৰ জন্ম কাহিনী | ৩ |
| ৪। | দেউৰীসকলে শদিয়া এৰি অহাৰ কাহিনী | ৬ |
| ৫। | কুন্দিল ৰাজ্য ভাগ-বতৰা | ৮ |
| ৬। | ফুলপানী ছিগা সৃষ্টিৰ কাহিনী | ১৩ |
| ৭। | শদিয়াল দেউৰীৰ আগত কিহৰ মছন্দৰী | ১৫ |
| ৮। | ছাগলী নোখোৱা খেল সৃষ্টিৰ কাহিনী | ১৮ |
| ৯। | খুন্তৱান দেশৰ লেক'ৰাই ৰজা | ২১ |
| ১০। | বিয়াৰ আঁতি-গুৰি সম্পৰ্কে লোক-কাহিনী | ২৩ |
| ১১। | নিতাই পুখুৰী আৰু চেঁচুঘাট সম্পৰ্কত লোক-কাহিনী | ২৭ |
| ১২। | মেজিৰ উৎপত্তিৰ লোক-কথা | ২৯ |
| ১৩। | আহোম-চুটিয়া ৰণৰ লোক-কাহিনী | ৩১ |
| ১৪। | কেন্দুকলাই বৰদেউৰীক লৈ লোক-কাহিনী | ৩৩ |
| ১৫। | পৰশুৰাম কুণ্ড সম্পৰ্কত লোক-কাহিনী | ৩৪ |
| ১৬। | জমতিং ৰজাৰ সম্পৰ্কত লোক-কাহিনী | ৩৫ |
| ১৭। | গোসাঁনীয়ে পতা বৰদেউৰীক লৈ লোক-কাহিনী | ৩৮ |
| ১৮। | (ক) টেঙাপানী নামৰ সৃষ্টিৰ লোক-কাহিনী | ৪০ |
| | (খ) টেঙাপানী নামৰ সৃষ্টিৰ লোক-কাহিনী | ৪১ |
| ১৯। | কাকডোঙা আৰু কাকজান নদীৰ নামৰ উৎপত্তিত লোক-কাহিনী | ৪৩ |
| ২০। | তাম্ৰেশ্বৰী মন্দিৰ নিৰ্ম্মাণ সম্পৰ্কত লোক-কাহিনী | ৪৫ |
| ২১। | তাম্ৰেশ্বৰী মন্দিৰত পূজা-সেৱা লুপ্ত হোৱাৰ লোক-কাহিনী | ৪৭ |
| ২২। | দেউৰী আৰু গোসাঁই-মহন্তৰ মাজত চুক্তিৰ লোক-কাহিনী | ৫৯ |
| ২৩। | গৰু গা-ধুওৱা প্ৰথাৰ উৎপত্তিৰ লোক-কাহিনী | ৫১ |
| ২৪। | দেউৰী মিচিমিৰ মাজত সীমা-বিবাদ সম্পৰ্কত লোক-কাহিনী | ৫৩ |
| ২৫। | ধান আৰু ধান খেতিৰ উৎপত্তিৰ লোক-কাহিনী | ৫৫ |




# পৃথিৱীৰ জীৱ-জগত সৃষ্টিৰ লোক-কাহিনী

পৃথিৱীৰ জীৱ-জগত সৃষ্টিৰ এক লৌকিক কাহিনী দেউৰী লোক সমাজত প্ৰচলন হৈ আহিছে। উক্ত লোক কাহিনী অনুসৰি আদিতে সমগ্ৰ পৃথিৱীখন মাথোন পানীৰ পূৰ্ণ অঠাই সাগৰ আছিল। কুন্দিমামায়ে (ভগৱান, নিৰাকাৰ ঈশ্বৰ) জীৱ-জগত সৃষ্টি কৰাৰ মানসেৰে সেই অঠাই সাগৰত মাটি ওলাইছে নে নাই তাকে চাবলৈ স্বৰ্গৰ পৰা দুদি (ম'ৰা চৰাই) আৰু দুতিমতিম (খঞ্জুচৰাই!) কিছুমানৰ মতে দুচিয়া চৰাইক পঠিয়াইছিল। ম'ৰা চৰায়ে পৃথিৱীৰ মোহনীয় ৰূপত নিজৰ কৰ্তব্য পাহৰি পৃথিৱীতে থাকি গ'ল। কিন্তু দুতিমতিম চৰায়ে স্বৰ্গলৈকে ঘূৰি গৈ কুন্দিমামাক পৃথিৱীৰ মাটিৰ বতৰা দিলেগৈ। মাটিৰ বতৰা পাই পিছত কুন্দিমামাই পৃথিৱীলৈ নামি আহি জীৱ-জগত সৃষ্টি কৰিলে। নিজৰ কৰ্তব্য অৱহেলাৰ বাবে ম'ৰা চৰায়ে ক্ষমা ভিক্ষা খোজাত কুন্দিমামায়ে ম'ৰা চৰাইক পৃথিৱীৰ প্ৰথম প্ৰাণী হিচাপে স্বীকৃতি প্ৰদান কৰি তাৰ মূৰত মুকুট অৰ্থাৎ 'জঁ' প্ৰদান কৰিলে। নিষ্ঠাৰে কৰ্তব্য পালন কৰাৰ বাবে দুতিমতিম চৰাইক পৃথিৱী আৰু স্বৰ্গ দুয়ো ঠাইতে বিচৰণ কৰাৰ ক্ষমতা অৰ্পণ কৰিলে কুন্দিমামায়ে। সেয়েহে দুতিমতিম চৰাইক বাৰিষাৰ পানী শেষ হওঁ নহওঁ অৱস্থাৰ কালছোৱাত বিশেষকৈ ভাদ-আহিন মাহৰ পৰা পৃথিৱীত দেখিবলৈ পোৱা যায় আৰু বাৰিষা অৰ্থাৎ পৃথিৱীলৈ পানী বা বৰষুণ অহাৰ আগে আগে ই স্বৰ্গলৈ গুচি যায় বুলি লোক বিশ্বাস। পৃথিৱীৰ জীৱ-সৃষ্টিৰ লোক-কাহিনী অনুসৰি সেয়েহে দেউৰী সকলৰ মতে কুন্দিমামায়ে হ'ল জীৱ জগতৰ মূল শ্ৰষ্টা আৰু পৃথিৱীৰ প্ৰথম প্ৰাণী হ'ল দুদি দুৱা অৰ্থাৎ ম'ৰা চৰাই।

-০০০-

# দেউৰী মানৱগোষ্ঠী সৃষ্টিৰ লোক-কাহিনী

কুন্দিমামাৰ (নিৰাকাৰ ঈশ্বৰ) ইচ্ছানুক্ৰমে মিৰ্চামামাৰ (আকাৰী ঈশ্বৰ) সোঁ আৰু বাঁও অংশৰ পৰা ক্ৰমে মিদিগিৰা-গিৰাচিৰ (বুঢ়া-বুঢ়ী বা আদি দেৱ-দেৱী) আবিৰ্ভাৱ হয়। এই গিৰা-গিৰাচিকেই কুন্দিমামায়ে নৰ-নাৰী বৃদ্ধিৰ বাবে চচি-চিৰে (মৰ্ত্য খণ্ড) লৈ আহিবলৈ অনুমতি প্ৰদান কৰিলে। আদেশানুযায়ী গিৰা-গিৰাচিয়ে মৰ্ত্যলৈ নামি আহি জল-স্থল অকণো নেদেখি পুনৰ ঘূৰি গৈ সেই বিষয়ে কুন্দিমামাক বিবৰি ক'লেগৈ। তেতিয়া কুন্দিমামায়ে চিঁৰুগ' (প্ৰেমময়) আৰু চুম্পিৰাদিক (পৱিত্ৰবাণী) পখীৰ সদৃশেৰে গিৰা-গিৰাচিক মৰ্ত্য খণ্ডত জল-স্থল দেখুৱাই আহিবলৈ অনুমতি দিলে। সেইমতে দুয়োটা পখীয়ে মৰ্ত্যলৈ নামি আহি গিৰা-গিৰাচিক জল-স্থল দেখুৱাই দি কুন্দিম-চিৰেলৈ (সৰ্বোত্তম খণ্ড) উলটি যায়। পিছত কুন্দি গিৰা-গিৰাচিয়ে উক্ত স্থানৰ নাম 'চাংচ্চুকুলা' ৰাখিলে। 'চাং' মানে ওখকৈ বনোৱা বা ওখসদৃশ আৱাস, 'চ্চু' মানে ভাল বা উত্তম, 'কুলা' মানে স্থলী বা তলী। অৰ্থাৎ চাংচ্চুকুলা > চাংচ্চুকুল মানে কুন্দিমামাৰ অনুগ্ৰহত প্ৰাপ্তি 'ওখসদৃশ উত্তম স্থলী বা তলী'। এই চাংচ্চুকুলাতেই মিদিগিৰা-গিৰাচিয়ে অলেখ দিন অতিবাহিত কৰি আৱাসৰ উপযোগিতাৰ নিমিত্তে শ্ৰমদান কৰিলে। এনেধৰণে বহু শ্ৰম কৰি ভাগৰ অনুভৱ কৰি ক্ষন্তেক জিৰণি লয়। বিশ্ৰামৰ পিছত বৃহস্পতি বাৰৰ দিনা মিদি গিৰাই 'এহেম কুন্দিমামা' বুলি বুকুৰ ঘাম মোহাৰে। তেতিয়াই হঠাৎ সোঁ হাতৰ মুঠিৰ পৰা এগৰাকী পুৰুষাকৃতিৰ মনুষ্য জন্ম হ'ল। ঠিক তেনেকৈ মিদিগিৰাচিয়েও 'এহেম মিৰ্চামামা কুন্দি' বুলি বুকুৰ ঘাম মোহাৰে আৰু বাওঁ হাতৰ মুঠিৰ পৰা এগৰাকী প্ৰকৃতিৰ সৃষ্টি হ'ল। মিদিগিৰা-গিৰাচিয়ে এই পুৰুষ-প্ৰকৃতিৰ নাম ৰাখিলে - 'দেঁ-অই'। কালক্ৰমত এই 'দেঁ-অই'ৰ সতি-সন্ততি সকলকে পিছত দেঁ-অই + আৰি > দেঁআৰি > দেউৰি > দেউৰী বুলি জনা গ'ল। এই 'দেঁ-অই'ৰ চাৰিপুত্ৰ ক্ৰমে - দিম চাঁৰু > জিম চাঁৰু, মিদিয়া, লুইতুৱা আৰু পাত' আৰু দুই পুত্ৰী ক্ৰমে লালই আৰু ৰহিলা। উল্লেখিত চাৰি পুত্ৰৰ পৰাই কালক্ৰমত দেউৰীসকলৰ চাৰিখেলৰ সৃষ্টি হ'ল বুলি লোক-বিশ্বাস। তাৰে পাত' (পাতৰ!) গঞা বা তানুগিৰিয়া খেলেই দেউৰীসকলৰ ৰাজ্য শাসনৰ উত্তৰাধিকাৰী আছিল বুলি জনপ্ৰবাদ পোৱা যায়।

-০০০-



# 'মিৰুচি'ৰ জন্ম কাহিনী

দেউৰী লোক-প্ৰবাদ মতে 'মিৰুচি' (হিন্দুধৰ্মৰ লক্ষ্মীদেৱী সদৃশ)ৰ নিৱাস আছিল সাগৰত। মহাকাব্য মহাভাৰতো এই কথা পোৱা যায়। সাগৰৰ পৰা কেনেকৈ 'মিৰুচি'ক নৰমনিচৰ পূজা-পাতল দিবলৈ লৈ আহিল, তাৰ এটা মনোৰম লোক-কাহিনী দেউৰী সকলৰ মাজত প্ৰচলন হৈ আছে। কাহিনীটো এনেধৰণৰ-

এসময়ত দেউৰীসকলৰ মাজত তেনেই নিছলালোক এজন আছিল। কথমপি চলি থকা লোকজনৰ আন সকলোৰে ধনী হোৱাৰ ইচ্ছাৰ দৰে মনে-প্ৰাণে ধনী হবলৈ বৰ হেপাঁহ আছিল। কিন্তু তাৰ সংসাৰ বঢ়াৰ লগে লগে অৱস্থাও দিনক দিনে বেয়াৰ ফালেহে ঢাল খাবলৈ ধৰিলে। তথাপিতো সি ধনী হোৱাৰ হেপাঁহ পৰিত্যাগ নকৰি পেটৰ তাড়নাৰ নিমিত্তে নিতৌ ৰজাঘৰত গা-খাটনি ধৰেগৈ। ৰজাই যি কামত লগায়, য'লৈ পঠিয়ায়, তাক চুলি এডালো হেৰফেৰ নকৰাকৈ ঠিকমতে কৰে।

এবাৰ বোলে সি ৰজাঘৰীয়া মুদৈৰ লগত সাগৰত নাৱেৰে বেহাবলৈ গৈ প্ৰচুৰ ধন-বিত্ লাভ কৰিছিল। ধন-বিত্ লৈ বৰনৈয়েদি (লুইতু) স্বদেশলৈ ঘূৰিল। ইতিমধ্যে 'মিৰুচি' দেৱীয়েও হেনো নৰমনিচৰ পূজা-পাতল খাবলৈ সাগৰৰ পৰা আহি আছিল। বিধিৰ বিপাকত সাগৰ সংগমত ভেটা-ভেটি হ'ল - দুয়োৰে মাজত। দেৱীয়ে চেলু পাই তাতে নাও এখন ধৰি ৰাখিলে। দ পানীতেই নাও লাগিল। নাৱৰীয়াহঁতে নাও এৰুৱাব নোৱাৰি প্ৰমাদ গণিলে। লাহে লাহে বেলি লহিওৱা দেখি সকলো বিতত্ হৈ পৰিল। গভীৰ ৰাতি হ'লত সকলো তাতেই টোপনিত লালকাল দিলে। গভীৰ নিশা সি সপোনত দেখিলে - এগৰাকী দেৱীয়ে নাওখন ধৰি ৰাখিছে। দেৱীয়ে আহি তাক কৈছেহি - 'মই বুজিছো, তোমাৰ বৰ দুখ হৈছে। বাৰু মোৰ উপদেশ মতে কাম কৰা যদি তোমাৰ সকলো দুখ মোচন হ'ব। তোমাৰ ধন, ধান, সম্পত্তি উভৈনদী হৈ পৰিব।' সি সপোনতে দেৱীৰ কথা শুনি অতিশয় আশ্বস্ত হ'ল। দেৱীৰ আদেশমতে কাম কৰিবলৈ প্ৰতিশ্ৰুতি দিলে। দেৱীয়ে তেতিয়া ক'লে - 'মই ধানৰ লগতহে জড়িত। ধানক পূজা কৰিলে মোক পূজা কৰা হ'ব। তুমি প্ৰথমতে গছি ধান এমুঠি

আনি ভঁড়ালত থাপিবা। নিজৰ নহ'লেও আনৰ পৰা হলেও খুজি-মাগি আনিবা। তাৰ পিছত নৈ ঘাটৰ পৰা মোক ঢোল-দগৰ বজাই আদৰি নিবাহি। গাহৰি মাৰি পূজা কৰিবা। তেতিয়া তোমাৰ ঐশ্বৰ্য-বিভূতি হ'ব। তাতেই চিৰকাল মই বাস কৰিম।'

সি সপোনতে দেৱীক তুতি-নতি কৰিলে। দেৱীক কেনেকৈ আদৰি নিব লাগিব, কি কি আহিলা - পাতি লাগিব, কেনেকৈনো থাপিব লাগিব, কি ৰূপে পূজা-পাতল দিব, কি কি নীতি-নিয়ম মানি চলিব লাগিব ইত্যাদি আদ্যোপান্ত কথা সুধি-পুচি, শিকি-বুজি ল'লে। দেৱীয়ে পূজাৰ বিৱৰণ, আহিলা পাতি, নীতি-নিয়ম, পূজামন্ত্ৰ আদি সকলো শিকাই বুজাই দিলে আৰু নিজৰ পৰিচয় দি শেষত অন্তৰ্দ্ধান হ'ল।

সি ঘৰ আহি দেৱীয়ে সপোনত নিৰ্দেশ দিয়ামতে পূজা পাতিবলৈ স্থিৰ কৰিলে। প্ৰথমতে নিজৰ ঘৈণীয়েকক সপোনৰ কথা বিৱৰি কৈ পৰৱৰ্তী কাম-ফেৰাৰ বাবে আলোচনা কৰি ল'লে। সিহঁতে দেখিলে যে এই কাৰ্য অকলে সম্পাদন কৰা অসম্ভৱ আৰু অযুগুত। বংশ পৰিয়াল আৰু গিয়াতি বৰ্গৰ সহায়-সহযোগ অবিহনে নহ'ব। গতিকে সি গাঁৱৰ বুঢ়া-মেথা আৰু জনাবুজা মুখীয়াল সকলক চপাই আনি আলোচনা-বিলোচনা কৰিলে। সকলোৰেপৰা সহায়-সহযোগিতা পাই সি দেৱীৰ নিৰ্দ্দেশ শিৰোধাৰ্য কৰি কামত উঠিপৰি লাগিল। দেৱীয়ে কোৱামতে পোন প্ৰথমে পথাৰৰ পৰা গছিধান আনি ভঁড়ালত থাপিলে। তাৰপিছত পূজা আয়োজনৰ বাবে সাজু হ'ল। পূজাৰ আহিলা-পাতি, সা-সঁজুলিবোৰ গোটাই ভাল দিনবাৰ ক্ষণ চাই চিতি গোট-গিয়াতি সকলোকে পূজালৈ নিমন্ত্ৰণ জনালে। আগতে শিকাই বুজাই থোৱামতে পূজাৰ নিৰ্দিষ্ট সময়ৰ আগমুহূৰ্ত্তত দেৱীকলৈ ঘাটৰ পৰা ঢোল-দগৰ বাই, নামগুণ গাই পূজা মণ্ডপলৈ আদৰি অনা হ'ল। যথাৰীতিমতে গাহৰি আগবঢ়াই পূজা কৰা হ'ল। পূজা পাই দেৱী পৰম সন্তুষ্ট হ'ল। ভক্তৰ অধিক শুদ্ধতা দেখি দেৱীয়ে সেই গৃহক নিজৰ স্থায়ী নিৱাস কৰি ল'লে। সেই বিশ্বাসৰ কাৰণেই তেওঁবিলাকে শুদ্ধচিত্তে 'মিৰুচি' দেৱীক 'মিৰুচি লিদুৰুৱা' পূজাৰে পালি আহিছে।

দেৱীৰ কৃপা লাভ কৰি সেই দুখীয়া-নিছলা লোকজন অচলা-ধনী হৈ পৰিল। তাকে দেখি গাঁৱৰ সকলো লোকেও তাৰ ওচৰ চাপি কঠোৰ



শ্ৰম আৰু 'মিৰুচি' দেৱীৰ পূজা-অৰ্চনাৰ জৰিয়তেযে ধনী হ'ব পাৰি তাৰ দৃষ্টান্ত গ্ৰহণ কৰিলে। আদিতে সাগৰ অৰ্থাৎ পানীত বসবাস কৰা দেৱীয়ে দেউৰীসকলৰ দ্বাৰা উদযাপিত 'মিৰুচি' পূজাৰ বাবেই ধান বা চাউলৰ সান্নিধ্যলৈ আহিল বুলি তেওঁলোকৰ বিশ্বাস।

(বি ঃ দ্ৰঃ উল্লেখ কৰিব পাৰি যে কিছুলোকে 'মিৰুচি'ক 'মিনুচি' বুলি কয়। আমাৰ বোধেৰে 'মিৰুচি'হে 'মিনুচি'ত কৈ অধিক গ্ৰহণযোগ্য এই কাৰণেই যে 'মি' (ধান) আৰু 'মিৰু' (চাউল) ৰ সতে 'মিৰুচি'ৰ সম্পৰ্ক নিচেই ওচৰ চপা।)

-ooo-

# দেউৰীসকলে শদিয়া এৰি অহাৰ কাহিনী

দেউৰীসকলে তাহানিৰ শদিয়াৰ পাদদেশৰ জয়দামৰ ওচৰে-পাঁজৰে বসবাসৰ দিনত আবৰ, মিচিমি, চিংফৌ আদি জনগোষ্ঠীৰ লগত সম্পৰ্ক গঢ়ি উঠিছিল। কিন্তু এবাৰ আবৰ বিলাকৰ চিকাৰত মৰা বনৰীয়া হাতী (কিছুমানে বনৰীয়া গাহৰি বুলি কয়) কেনেবাকৈ দেউৰীবিলাকৰ কঞ্জাত আহি পৰিল। আঘাত প্ৰাপ্ত চিকাৰটো হাততে পাই দেউৰীসকলে উলাসতে কোনো কথা চিন্তা নকৰাকৈ মাৰি-কাটি ভাগ-বতৰা কৰি খালে। আবৰবিলাকে পিছত চিকাৰৰ আঘাতৰ তেজ অনুসৰণ কৰি কৰি দেউৰী অধ্যুষিত অঞ্চলত চিকাৰৰ অৱস্থিতি উদঘাটন কৰিলেগৈ। তাকে লৈয়েই দেউৰী আৰু আবৰৰ মাজত কাজিয়াৰ সূত্ৰপাত হ'ল। দেউৰীবিলাকৰ মতে তেওঁলোকৰ কঞ্জাত আহি পৰা চিকাৰটোহে সিহঁতে মাৰি-কাটি ভাগ-বতৰা কৰি খালে; সেই চিকাৰটো যে আবৰ বিলাকৰ চিকাৰ আছিল সেয়া তেওঁলোকে জনা নাছিল। কিন্তু আবৰবিলাক নাচোৰবান্দা! তেওঁলোকে কোনো কথাই নুশুনি দেউৰীবিলাকৰ ওপৰত যেতিয়াই-তেতিয়াই অত্যাচাৰ, উৎপীড়ন, উপদ্ৰৱ কৰিবলৈ আৰম্ভ কৰিলে।

দেউৰীবিলাক সাধাৰণতে শান্তিপ্ৰিয় হোৱাৰ বাবে যুদ্ধ বিগ্ৰহ, উপদ্ৰৱ -অত্যাচাৰ সমূলি পছন্দ নকৰিছিল। ইফালে দিন-খেন বাগৰাৰ লগে লগে আবৰৰ অত্যাচাৰ-উপদ্ৰৱ আদিও বাঢ়িবলৈ ধৰিলে। ফলত দেউৰী আৰু আবৰৰ মাজৰ সম্পৰ্ক দিনক দিনে জটিলতাৰ দিশে গতি কৰিলে। অত্যাচাৰ -উপদ্ৰৱ ইমানেই বাঢ়িল যে ইয়াৰ কবলৰ পৰা পৰিত্ৰাণ পাবৰ বাবে চাৰিও খেলৰ ৰাইজে গোট পিত্ খাই আশু সমাধানৰ উপায় বিচাৰিলে। এই আলোচনাৰ পিছত এটা ভাল দিন বাৰ চাই তেওঁলোকৰ পূজাৰীবৰ্গই এক বিশেষ পূজা দেওঘৰত আয়োজন কৰিলে। সেই পূজাতেই 'দেওধনী'ক (মিদিগিৰাচি) স্তুতি-মিনতি কৰি ৰাইজৰ মঙ্গল বতৰা ল'লে। 'দেওধনী'য়ে বাতৰি চলাই আদেশ কৰিলে যে তেওঁলোকে একেৰাতিৰ ভিতৰতে উক্ত বাসস্থলী পৰিত্যাগ কৰিব লাগে। 'দেওধনী'ৰ আদেশেই দেউৰীসকলৰ বাবে শেষ সিদ্ধান্ত। গতিকে উক্তদিনা ৰাতিয়েই দেউৰীবিলাকে খেলে-খেলে ভুৰ-নাঁও যি যেনেকৈ পালে কিছুমান অতি লাগতিয়াল বস্তু-বেহানি লৈ বৰনৈয়েদি (লুইতু) ভটিয়াই আহিল। গাঁৱৰপৰা নৈৰ দাঁতিলৈ আহোঁতে তেওঁলোকে বনৰীয়া পচলা, তৰাগছ আদি কাটি থৈ আহিল। যাতে সেইবোৰ দেখি আবৰ বিলাকে দেউৰীসকলে কেইবাদিনৰ আগতেই গুচি গৈছে বুলি ভাবি পতিয়ন যায়। কাৰণ-পচলা, তৰাগছবোৰ কাটিদিয়াৰ পিছমুহূৰ্ত্ততে পোখা মেলি লহ্পহ্কৈ বাঢ়ি যায়। এয়া দেউৰী বিলাকৰ উপস্থিত বুদ্ধিৰ পৰিচায়ক বুলি তেওঁলোকে বিশ্বাস কৰে। তেনেকৈ নদীৰে ভটিয়াই আহোঁতে তেওঁলোকৰ মাজৰ এখন ভুৰ হেৰাল বুলি এটি প্ৰবাদ এতিয়াও শুনা যায় আৰু সেই হেৰাই যোৱা ভুৰখনতে পাত' (পাতৰ।) গঞা খেলৰ লোকসকল আছিল বুলি লোক বিশ্বাস।

-০০০-

# কুন্দিল ৰাজ্য ভাগ-বতৰা

কুন্দিগিৰা- গিৰাচিয়ে ৰাজ-ভোগ কৰি থকা কুন্দিল ৰাজ বৰ্তমানৰ শদিয়াৰ পাদদেশৰ অঞ্চলসমূহ মহাপ্ৰয়ানৰ আগমুহূৰ্ত্তত তেওঁৰ পুত্ৰ-কন্যাৰ মাজত ভাগ-বতৰা কৰিবলৈ মনস্থ কৰে। তেনে মনস্থৰে সমুদায় কুন্দিল ৰাজ তিনি ভাগে বিভক্ত কৰি এভাগ 'পিচাদেমা' (বৰপুত্ৰ), এভাগ 'পিচাচি' (কন্যা) আৰু এভাগ নিজৰ অৰ্থাৎ 'গিৰা-গিৰাচি' (বুঢ়া-বুঢ়ী) ৰ বাবে ৰাখিবলৈ সিদ্ধান্ত কৰে। কুন্দিগিৰায়ে তিনি ভাগত বিভক্ত কৰিবলৈ মনস্থ কৰা কুন্দিল ৰাজ আছিল - (১) উত্তৰ-পূবৰ সমভূমি অঞ্চল অৰ্থাৎ কুন্দিল ৰাজৰ শ্ৰেষ্ঠাংশ; (২) দক্ষিণ-পূব পাহাৰ আৰু ভৈয়াম অঞ্চল; আৰু (৩) কুন্দিলৰ পশ্চিমাঞ্চল। উল্লেখিত উত্তৰ-পূবৰ সমভূমি অঞ্চল অৰ্থাৎ কুন্দিলৰ শ্ৰেষ্ঠাংশ খিনিকে 'পিচাদেমা'ক (বৰপুত্ৰ) দিবলৈ মনতে থিৰাং কৰিছিল। সেইদৰে দক্ষিণ-পূব পাহাৰ আৰু ভৈয়াম অঞ্চল খিনিক 'পিচাচি' (জীয়েক) ক আৰু বাকী কুন্দিলৰ পশ্চিমাঞ্চল খিনি কুন্দিগিৰাই গিৰা-গিৰাচি (বুঢ়া-বুঢ়ী) ৰ বাবে মনস্থ কৰি ভাগ কৰি দিব বুলি 'পিচাদেমা' (বৰপুত্ৰ) ৰ লগত এদিন গোপনে আলোচনা কৰিছিল। কিন্তু এই গোপন আলোচনা গোপন হৈ নাথাকিল। তেওঁলোকৰ অৰ্থাৎ পিতা-পুত্ৰৰ এই গোপন আলোচনা কোনেও গম নোপোৱাকৈ 'পিচাচি'য়ে (পুত্ৰী) বেৰৰ জলঙাইদি চাই-শুনি আছিল। এনেদৰে আলোচনা কৰি কুন্দিগিৰাই কেনেকৈ সুকলমে পিচাদেমাক (বৰপুত্ৰ) ৰাজভাগৰ শ্ৰেষ্ঠাংশ অৰ্পি দিব পাৰি তাৰে চিন্তা কৰি অতি সোনকালেই এটা দিন স্থিৰ কৰিলে। শাওণ মাহৰ প্ৰথম বুধবাৰৰ দিনা ৰাতিপুৱা কুকুৰা ডাক দিয়াৰ লগে লগে ৰাজ ভাগ গতাই দিয়া লোৱা দিন ঠিক কৰা হ'ল। উক্ত দিনত কুকুৰা ডাক দিয়াৰ লগে লগে আহি বৰপুত্ৰক (পিচাদেমা) কুন্দিগিৰাৰ পৰা ৰাজ-ভাগ ভিক্ষা কৰিবলৈ আজ্ঞা কৰিলে। পিতা-পুত্ৰৰ এই গোপন আলোচনা যাতে আৰু কোনো তৃতীয় পক্ষই গম নাপায়, তাৰে সৰ্তক দৃষ্টি ৰাখিবলৈকো কুন্দিগিৰাই বৰপুত্ৰক সকিয়াই দিলে। কাৰণ - কুন্দিগিৰাই জানে যে যদি কেনেবাকৈ



এই আলোচনা 'পিচাচি'ৰ কাণত পৰেগৈ তেন্তে গোটেই খিনি পৰিকল্পনা ওলট-পালট হৈ যাব। যিহেতু পিচাদেমাৰ বাবে প্ৰস্তাৱিত ৰাজ ভাগ কুন্দিলৰে শ্ৰেষ্ঠাংশ, গতিকে সেইখিনি অংশ পিচাচিও যে নিবিচাৰিব তাৰ মানে নাই।

ইফালে কুন্দিগিৰায়ে আলোচনাৰ পিছদিনাখনৰ পৰাই পিচাদেমাৰ ৰাজ অভিষেক আয়োজনৰ বাবে গোপনে সকলো যা-যোগাৰ কৰিবলৈ আদেশ কৰিলে। দিন বাগৰাৰ লগে লগে আহাৰ মাহ সোমাল। চুজেঁকু নামৰ বিশেষ এবিধ ধান কটাৰ সময়। নতুন চুজেঁকু ধান-চাউলৰ পৰা বিভিন্ন ধৰণৰ খাদ্য-বস্তু তৈয়াৰ কৰিবলৈ লাগি গ'ল। সু-পুৰিচাৰক, লগুৱা, লিকচৌ আদি গোপনে যোগাৰ কৰি বিভিন্ন কামত লগাবলৈ নিৰ্দ্দেশ দিয়া হ'ল। বৰপুত্ৰয়ো (পিচাদেমা) উক্ত দিনটোলৈ অধীৰ অপেক্ষাৰে বাট চাই কামবোৰ সম্পাদন কৰাৰ বাবে নিমগ্ন হ'ল। ইফালে পিচাচিও (জীয়েক) কেনেকৈ ছল কৰি সেই একে ডোখৰ মাটি ভাগ হাত কৰি ল'ব পাৰি, তাৰ কৌশল ৰচনা কৰিবলৈ লাগি গ'ল।

সময় দিন বাগৰাৰ লগে লগে এদিন শাওণ মাহ সোমাল। শাওণ মাহৰ প্ৰথম বুধবাৰৰ ৰাতিপুৱাবৰ নৌ হয়। তেনেতে পিচাচিয়ে ছলনা কৰি মায়াৰ বলেৰে এজনী কুকুৰাক ডাক দিয়ালে। কুকুৰা ডাকৰ লগে লগে পিচাচিয়ে সাই লাখ ককায়েক অৰ্থাৎ পিচাদেমাৰ ৰূপ লৈ (বেশ ধৰি) কুন্দিগিৰাৰ ওচৰলৈ গৈ ৰাজভাগ ভিক্ষা কৰিলে। কুন্দিগিৰাই পূৰ্বৰ আলোচনা আৰু সিদ্ধান্ত মৰ্মে ৰাজ ভিক্ষা কৰা বুলি ভাবি সকলো হয়ভৰ দিলে। ৰাজভঁড়ালৰ মূল্যবান সা-সামগ্ৰী, সু-পৰিচাৰক, লগুৱা-লিকচৌ আদিৰে লগে লগেই বৰপুত্ৰক ৰাজ ভাগৰ চাৰিসীমা পূৰ্ব পৰিকল্পিত ৰূপত চমজাই আশীৰ্বাদ দি বিদায় দিলে। পিচাচিয়ে পিচাদেমাৰ বেশেৰে আহি পিতাকৰ পৰা শ্ৰেষ্ঠাংশ ৰাজভাগ চমজিলৈ আনন্দত আত্মহাৰা হ'ল। তৎমুহূৰ্ত্তে ঘণ্টা, শঙ্খ, মৃদং বাজি উঠিল। কুন্দিগিৰাই অৰ্পণ কৰা সা-সম্পত্তিৰ লগতে পৰিচাৰক, লগুৱাবৰ্গৰ স'তে মহা উল্লাসেৰে নিজৰ ৰাজ্যৰ চাৰিসীমাৰ ভিতৰত প্ৰৱেশ কৰি স্ব-অধিকাৰ সাব্যস্ত কৰিলে।

তেতিয়ালৈকে আচল কুকুৰাই ডাক দিবলৈ বাকী আৰু ৰাতি নৌ পুৱায়। যেতিয়া প্ৰাকৃতিক ৰূপত ৰাতি পুৱাবৰ সময় হ'ল তেতিয়া কুকুৰাই

ডাক দিবলৈ ধৰিলে। কুকুৰা ডাক দিয়া শুনি আগৰ সিদ্ধান্ত আৰু আজ্ঞা মতেই বৰপুত্ৰ (পিচাদেমা) ই কুন্দিগিৰাৰ ওচৰলৈ গৈ প্ৰণাম জনালেহি। কুন্দিগিৰাই পিচাদেমাক পুনৰ অহা দেখি অবাক হৈ পুনৰ আগমনৰ কাৰণ জানিব বিচাৰিলে। কুন্দিগিৰা অৰ্থাৎ পিতৃৰ প্ৰশ্ন শুনি পিচাদেমা আচৰিত হ'ল। পিচাদেমাই নিবেদন কৰি ক'লে যে পূৰ্বৰ গোপন আলোচনা মৰ্মে তেওঁ কুন্দিলৰ ৰাজ ভাগ ভিক্ষা কৰিবলৈ আহিছে। কুন্দিগিৰাৰ লগতে কুন্দিগিৰাচিও শুনি আচৰিত হ'ল। যিহেতু অলপ আগতে পিচাদেমা স্বয়ং আহি পূৰ্বৰ সিদ্ধান্ত মৰ্মে ৰাজ ভাগ চমজি লৈছেই। তেতিয়াহে উৰহি গছৰ ওৰ ওলাল। কুন্দিগিৰা-গিৰাচি আৰু বৰপুত্ৰই পিচাচিৰ ছলনাৰ কথা বুজি পালে।

কুন্দিগিৰা-গিৰাচিয়ে পিচাচিৰ এনে চক্ৰান্তৰ কথা গম পাই মনতে অতিশয় বেজাৰ পালে। বৰপুত্ৰৰো মূৰত সৰগ ভাগি পৰা যেন লাগিল। বৰপুত্ৰই ভনীয়েকৰ এনে অন্যায়ৰ বিৰুদ্ধে প্ৰতিশোধ লবৰ বাবে উদ্যত হ'ল আৰু প্ৰতিশোধৰ অগনিত জ্বলি উঠিল। বলিয়াৰ দৰে উন্মত্ত হৈ হিতাহিত জ্ঞান হেৰুৱাই পেলালে আৰু বলিয়াৰ দৰেই আচৰণো কৰিবলৈ ধৰিলে। বলিয়াৰ দৰে আচৰণ কৰাৰ বাবেই তেওঁৰ অন্য নাম বলিয়াবাবা বা বলিয়া হেমতা হ'ল। পিচাদেমাৰ এই উগ্ৰ মূৰ্তি আৰু বলিয়াৰ দৰে আচৰণত অতিষ্ঠ হৈ নৰ-মনিচকে আদি কৰি জীৱ জগত আনকি দেৱ-দেৱী সকলো বলিয়াবাবাক ক্ষান্ত হ'বলৈ অশেষ কাকুতি জনালে। কিন্তু বলিয়াবাবাক কোনেও টলাব নোৱাৰিলে। উপায়ান্তৰ হৈ দেৱতাগণে গিৰা-গিৰাচিৰ কাষ পালেগৈ - উপায় বিচাৰি। কুন্দিগিৰাই উপায় হিচাপে দিহা দিলে যে - কুন্দিল ৰাজৰ লোহিতৰ নিবাসী লুইত কোৱঁৰ বা 'লুইতু কুৱঁৰ'ৰ জীয়াৰী দিপলিপ কন্যা জলকুৱঁৰীক পিচাদেমাৰ হাতত গতাই দিব পাৰিলে তাৰ ৰুদ্ৰমূৰ্ত্তি সম্বৰণ কৰা সম্ভৱ হ'ব। কুন্দিগিৰাৰ পৰামৰ্শ অনুসৰি দেৱ-দেৱী গণে লুইত নদীৰ পাৰৰ নিবাসী লুইত কোৱঁৰ বা 'লুইতু কুৱঁৰ'ৰ জীয়েকৰ সন্ধানত ওলাল। গৈ গৈ দেৱতাগণে জলকুৱঁৰীক লুইত নদীৰ পাৰত চিৰিপ্চিৰিপ্ কৰি কাপোৰ ধুই থকা অৱস্থাত লগ পালেগৈ। জলকুৱঁৰীক তেওঁলোকৰ আগমনৰ কাৰণ আদ্যোপান্ত বিৰৱি কৈ কুন্দিল ৰাজৰ হিত আৰু মংগলৰ বাবে কুন্দিগিৰা-গিৰাচিৰ পিচাদেমাৰ সতে মিলন



হ'ব লাগে- এই বুলি মিনতি জনালে। তেওঁলোকৰ মিনতি প্ৰত্যাখ্যান কৰিব নোৱাৰি জলকুৱঁৰী জগতৰ মংগল আৰু কল্যাণ সাধনৰ উদ্দেশ্য কামনাৰে পানীঘাটৰ পৰাই প্ৰস্থান কৰিলে।

ইফালে লুইত কোৱঁৰে পানীঘাটৰ পৰাই জীয়েকক পিচাদেমাৰ বাবে পলুৱাই লৈ যোৱাৰ খবৰ পাই খঙত জ্বলি-পকি উঠিল। প্ৰতিশোধৰ পোতক তুলিবলৈ আৰু এসেকা দিয়াৰ উদ্দেশ্যৰে তেওঁলোকৰ পাচ ল'লে। শাওণ মাহৰ বাবে লুইতৰ পানী ফেনে-ফুটুকাৰে ওফন্দি উঠি ইকুল-সিকুল ভৰি আছিল। পানীৰে গাঁও-ভূঁই, নগৰ-চহৰ, হাবি-জঙ্ঘল বুৰাই পেলাই জীৱ-জন্তু, মানুহ-দুনুহ উটুৱাই অভাৱনীয় দুৰ্গতিৰ সৃষ্টি কৰিলে। দেৱ-দেৱী, নৰ মনিচ সকলোৱে আকৌ উপায় বিচাৰি কুন্দিগিৰা-গিৰাচিৰ ওচৰলৈ গৈ লুইতৰ তেনে ধ্বংসকাৰ্য নিবাৰণৰ হেতু কাবৌ কৰিবলৈ ধৰিলে। কুন্দিগিৰা-গিৰাচিয়ে পৰিস্থিতি ভীষণ দেখি লুইতৰ ওচৰলৈ গৈ জগতৰ কল্যাণ আৰু মংগলৰ বাবে প্ৰকৃতিস্থ হ'বলৈ অনুৰোধ জনালেগৈ। লগতে এইটোও ক'লে যে যেতিয়াই পিচাদেমাক মানুহে পূজা-পাতল দিব তেতিয়াই পূজাৰ বেদীত প্ৰথমে লুইতক পূজা দিব লাগিব; তাৰ পাছতহে পিচাদেমাৰ পূজা-অৰ্চনা কৰিব পাৰিব। গতিকে যিদিনালৈকে পিচাদেমাৰ পূজা-অৰ্চনা চলি থাকিব উক্ত দিনালৈকে পিচাদেমাৰ পূজাৰ বেদীত লুইতে পূজাৰ আগ ভাগ পায়েই থাকিব। কুন্দিগিৰা-গিৰাচিৰ অনুনয় বিনয়ত লৌহিত্যই (লুইত কোৱঁৰ) সন্তুষ্ট হৈ প্ৰসন্ন হ'ল আৰু জগতৰ কল্যাণ আৰু মংগল কামনাৰ অৰ্থে সৰ্বস্ব পৰিহাৰ কৰি প্ৰকৃতিস্থ হৈ কুন্দিগিৰাক প্ৰণাম জনালে। চৌদিশে দেৱ-দেৱীগণে হৰ্ষধ্বনি কৰিলে। তেতিয়াই কুন্দিগিৰাই ক'লে যে 'ৰাজ্য থাকিব উত্তৰে, ৰজা থাকিব দক্ষিণে'। এই জীৱন্ত কিংবদন্তি অনুসৰিয়েই আজিও পিচাদেমা বা বলিয়াবাবা বা বলিয়াহেমতাৰ (মিদিয়া) পূজক টেঙাপনীয়া খেলৰ দেউৰীসকলে পিচাদেমাক পূজা অৰ্চনা কৰিবলৈ হ'লে 'লুইতু কুৱঁৰ'ক পূজা ভাগ আগবঢ়াইহে পিচাদেমাৰ পূজা সমাপন কৰা দস্তুৰ হ'ল।

ইফালে লুইতৰ বান কমিবলৈ আৰম্ভ কৰাত পিচাদেমাই নৱ-পৰিণীতা জলকুৱঁৰীক লৈ নিজ ৰাজ্যৰ অভিমুখে,অৰ্থাৎ জয়দামলৈ বুলি লক্ষ্য কৰি যাত্ৰা আৰম্ভ কৰিলে। যথা ৰীতিমতে লুইতক বাট এৰি দিবলৈ মিনতি

জনাই অনুমতি বিচাৰিলে। লুইত নদীয়েও সন্তুষ্ট হৈ বাট এৰিদিলে। পিচাদেমাই লুইত পাৰ হৈ এৰেম, কেৰেম, চকাতি, চলিহা আদি অতিক্ৰমি জয়দাম (দয়দাম) ত ৰাজধানী আৰু দেওশাল পাতিলেহি। তেতিয়াৰ পৰাই আজিকোপতি জয়দাম পাহাৰ দেউৰীসকলৰ বাবে বিশেষকৈ টেঙাপনীয়া খেলৰ বাবে এটা পবিত্ৰ স্থান হিচাপে পৰিগণিত হৈ পৰিল আৰু পূজা ভাগ যথা-ৰীতিৰে আগবঢ়াই আহিছে। তেনেকৈয়ে পিচাদেমা বা বলিয়াবাবা টেঙাপনীয়াসকলৰ বাবে ইষ্টদেৱতা অৰ্থাৎ পিতৃৰূপে পূজিত হ'ল আৰু লুইত নদীৰ লগত তেনে সু-সম্পৰ্ক গঢ়ি উঠাৰ বাবেই দেউৰীসকলে নদীৰ পানীত সততে দুৰ্ঘটনা নঘটে বুলি লোক-বিশ্বাস গঢ়ি উঠিল।

পিচাদেমা আৰু পিচাচিৰ মাজত ৰাজ ভাগ বটৰোৱাক লৈ যি মনোমালিন্য ঘটিছিল ই পৰৱৰ্তী উপাসকসকলৰ মাজতো থাকি গ'ল। সেয়েহে পিচাদেমাৰ উপাসক টেঙাপনীয়াসকল আৰু পিচাচিৰ উপাসক বৰগঞাসকল নিজৰ নিজৰ ৰাজ ভাগৰ অঞ্চলতহে বাস কৰিব পৰা হ'ল। তাৰ অন্যথা কৰি কিবা কাৰণত ইটো খেলৰ মানুহ সিটো খেলৰ অঞ্চলত বা সিটো খেলৰ মানুহ ইটো খেলৰ অঞ্চলত বাস কৰিলে অপায়-অমংগল হয় বুলি তেওঁলোকৰ মাজত লোকবিশ্বাস। আনকি মৃত্যুৰ সময়তো মৃতকৰ সেৱা সৎকাৰ কৰিবৰ বাবে শ্মশান শালিত মাটিৰ অৰিহণা দি অৰ্থাৎ মাটি কিনিহে শৱ সৎকাৰ কৰা পদ্ধতি প্ৰচলন হ'ল আৰু বৰ্তমানেও প্ৰচলন হৈ আছে।

-০০০-



# ফুলপানী চিগা সৃষ্টিৰ কাহিনী

দেউৰীসকলৰ মতে আহোম স্বৰ্গদেউসকলৰ ৰাজত্বৰ কালছোৱাত দেউৰীসকলৰ কুন্দিমামা ধৰ্ম স্বৰ্গদেউসকলে আদৰি লৈছিল। আহোম স্বৰ্গদেউ সকলৰ ৰাজত্বৰ আগলৈকে যেনেকৈ কছাৰী, চুটিয়া নৃপতি সকলে দেউৰীসকলৰ দ্বাৰা পূজিত আৰু পৰিচালিত তাহানিৰ চাৰিশাল গোসাঁনীৰ পূজা নিৰ্মালি গ্ৰহণ কৰিছিল; ঠিক তেনেকৈ আহোম স্বৰ্গদেউসকলেও তেওঁলোকৰ পূজা নিৰ্মালি বৰ আগ্ৰহেৰে গ্ৰহণ কৰিছিল। এই পূজা-অৰ্চনা আৰু নিৰ্মালি লোৱাৰ তাৎপৰ্য গিয়াতি গঞাৰ মঙ্গল তথা দেশৰ মঙ্গল কামনা কৰাকে বুলি ক'ব পাৰি। স্বৰ্গদেউসকলে দেউৰীসকলৰ পূজাৰী বৃন্দক আদৰ সন্মান কৰি ৰাজসভাতো স্থান দিছিল। দেউৰীপূজাৰী সকলে বছৰৰ আৰম্ভণীত বিশেষকৈ 'বহাগ বিচু'ৰ সময়ত পূজা পাতল শেষ হোৱাৰ লগে লগে আহোম স্বৰ্গদেউৰ কাৰেঙৰ পিনে খোজ লৈছিল সুদূৰ শদিয়াৰ পৰা স্বৰ্গদেউক ফুলনিৰ্মালি অৰ্পণ কৰিবলৈকে।

তেনেকৈ এবাৰ আহোম স্বৰ্গদেউক ফুল-নিৰ্মালি দিবলৈ আহি দেউৰী পূজাৰীসকল অপমানিত হৈ উভতিব লগা হৈছিল। ইয়াৰ গুৰিতে স্বৰ্গদেৱে পশ্চিমীয়া ব্ৰাহ্মণৰ ওচৰত দীক্ষা লৈ মন্ত্ৰণা লোৱা বুলি কথিত আছে। আহোম স্বৰ্গদেউসকলে যেতিয়া দেউৰী পূজাৰী সকলে ফুল-নিৰ্মালি দিবলৈ আহে তেতিয়া সাধাৰণতে সিংহাসনৰ পৰা নামি আহি তেওঁলোকৰ আগত আঁঠুলৈ ফুল-নিৰ্মালি গ্ৰহণ কৰিছিল। কিন্তু অন্য জাতিৰ পূজাৰী সকলৰ ক্ষেত্ৰত তেনে কৰা নাছিল। স্বৰ্গদেৱে সিংহাসনতে বহি আতিথ্য গ্ৰহণ বা প্ৰেৰণ কৰিছিল। এই কথা অন্য জাতিৰ পূজাৰীসকলে সহ্য কৰিব পৰা নাছিল। পশ্চিমীয়া ব্ৰাহ্মণ সকলৰ লগতে অন্য জাতিৰ ব্ৰাহ্মণ সকলৰ বাবে এই বিষয়টিয়ে ঈৰ্ষাৰ কাৰক ৰূপে গঢ় দি উঠিছিল। সেইবাবে যেতিয়া চুৰমফা ওৰফে ৰাজেশ্বৰ সিংহ (১৭৫১-১৭৬৯) স্বৰ্গদেউক পশ্চিমীয়া ব্ৰাহ্মণৰ ওচৰত শৰণ দিয়াব পাৰিলে, তেতিয়াই তেওঁলোকৰ প্ৰৰোচনা আৰু মন্ত্ৰণানুসৰি স্বৰ্গদেৱে দেউৰী পূজাৰী বৃন্দৰ ফুল-নিৰ্মালি লোৱাটো

প্ৰত্যাখান কৰিলে। দেউৰী পূজাৰী বৃন্দই ফুল-নিৰ্মালি সুদূৰ শদিয়ালৈ ঘূৰাই নিব নোৱৰাৰ কথা দোহৰাৰ উপৰি অৰ্পণ কৰিবলৈ অনা ফুল-নিৰ্মালি ঘূৰাই নিব নেপায় আৰু নিলেও অপায় অমংগল হয় বুলি স্বৰ্গদেৱক জনালে। তেতিয়া স্বৰ্গদেৱে এটা নিৰ্দিষ্ট পুখুৰীত ঢালি যাবলৈ আজ্ঞা কৰিলে। দেউৰী পূজাৰী বৃন্দই ফুল-পানী বা নিৰ্মালি খিনি মূলমন্ত্ৰ আৰু বীজমন্ত্ৰ উচ্চস্বৰে গাই মাতি উক্ত পুখুৰীটোত ঢালি উভতি নোচোৱাকৈ পোনছাটেই শদিয়ালৈ বুলি খোজ ল'লে।

যিটো পুখুৰীত সেই ফুলপানী বা নিৰ্মালি খিনি ঢালি থৈ গ'ল সেই পুখুৰীটোত সেই ৰাতিয়েই সাগৰত ঢৌ উঠাৰ নিচিনা ঢৌ উঠা নমা কৰি তৰ্জন-গৰ্জনৰে খলকনি উঠিবলৈ ধৰিলে। ওৰেটো ৰাতি তেনেকৈ মেঘৰ গাজনিৰ দৰে শব্দ কৰি থাকি পুৱতি নিশা পাৰ ভাঙি নৈৰ দৰে এটা সুঁতি সৃষ্টি কৰি পানীবোৰ প্ৰচণ্ড বেগেৰে বৈ গৈ লুইতুৰ এটি উপনৈত পৰি লুইতুৰে সাগৰ-মহাসাগৰ পালেগৈ।

দেউৰীসকলৰ এই জনশ্ৰুতিমতেই সেই পুখুৰীটোৰ নাম 'ফুলপানী চিগা' হ'ল। তেতিয়াৰ পৰাই আহোম ৰাজ্য পতনৰ আৰম্ভণি হ'ল বুলি দেউৰীসকলৰ লোক-বিশ্বাস।

-০০০-



# শদিয়াল দেউৰীৰ আগত কিহৰ মছন্দৰী

অসমৰ ইতিহাস প্ৰসিদ্ধ শিৱসাগৰ জিলাৰ অন্তৰ্গত এক অঞ্চলত আহোম স্বৰ্গদেউৰ কালছোৱাত এটি অদ্ভুত ধৰণৰ পুখুৰী আছিল। পুখুৰীটোৰ মাজভাগতে এটি দ্বীপৰ নিচিনা নল-খাগৰি আদি বনৰীয়া বন গজি দোপনি হৈ আছিল আৰু তাৰ ঠিক্ সোঁ মাজতে এডোখৰ মুকলি ঠাই আছিল। সেই দোপনিটো আকৌ পুখুৰীৰ পানীৰ স'তে চাৰিওপিনে চলা-ফুৰা কৰি ফুৰিছিল। কিন্তু পুনৰ আহি পুখুৰীটোৰ মাজভাগত স্থিতি গ্ৰহণ কৰিছিলহি। পুখুৰীটোৰ সোঁমাজত থকা সেই দোপনিটোৰ বাহিৰে সমগ্ৰ পুখুৰীৰ পানী পৰিস্কাৰ আৰু সেয়েহে কাষৰীয়া মানুহ-দুনুহবোৰে তালৈ গৈ কাপোৰ-কানি, গা-ধোৱা আদি কামবোৰ সমাধা কৰিছিল।

তেনেকৈয়ে দিনবোৰ বাগৰিল। কিন্তু তেনেকৈ গোটাচেৰেক দিন, মাহ, বছৰ পাৰহোৱাৰ পিছত হঠাতে এদিন সেই পুখুৰীটোত এক অদ্ভুত ধৰণৰ মাছৰ (মছন্দৰী।) আৱিৰ্ভাৱ ঘটিল। সেই মাছটোৰ সৰ্বশৰীৰ বৌ মাছৰ দৰে চকলা-চকল বাকলি আছিল। বাকলিৰ ছটা বিলাক অস্বাভাৱিক ধৰণে ডাঙৰ আছিল। তাৰ মূৰৰ ওপৰত 'ডাকোৱা' কুকুৰা বা ম'ৰা চৰাইৰ মূৰত থকা 'জঁ' টোৰ দৰে বৰ ডাঙৰ ৰঙা 'জঁ' এটাও জিলিকি আছিল হেনো। সেই অদ্ভুত ধৰণৰ মাছ (মছন্দৰী।) হেনো সেই পুখুৰীটোৰ সোঁমাজত থকা দোপনিটোৰ মুকলি ঠাই ডোখৰত কেতিয়াবা কেতিয়াবা উঠি কিছু সময় ৰ'দ পুৱাই পুনৰ পুখুৰীটোলৈ জপিয়াই অন্তৰ্ধান হৈছিল। কিন্তু অকস্মাতে যদি সেই মাছ (মছন্দৰী।) টোক কোনো লোকে মঙ্গলবাৰে বা শনিবাৰে দেখে তেন্তে সেইজনৰ লগে লগে জ্বৰ-বমি হৈ মৃত্যু হৈছিল।

এনেকৈয়ে সেই অঞ্চলৰ বহুত মানুহ মৃত্যু মুখত পৰিছিল আৰু কথাটো চাৰিওফালে লাহে লাহে বিয়পি পৰাত উক্ত পুখুৰীটোলৈ কোনো মানুহ নোযোৱা হ'ল। কেৱল সেই অঞ্চলৰ মানুহেয়ে উক্ত অদ্ভুত প্ৰাণীৰ চিকাৰত পৰিছিল তেনে নহয়। অন্য অঞ্চলৰ পৰা অহা মানুহো যদি অজ্ঞাত

বশতঃ সেই মাছ (মছন্দৰী!) ক দুৰ্ভাগ্যবশতঃ প্ৰত্যক্ষ কৰে তেন্তে সিহঁতৰ মৃত্যু অনিবাৰ্য আছিল।

এনেদৰেই উক্ত অদ্ভুত প্ৰাণীৰ কথা সমগ্ৰ ৰাজ্যতে বিয়পি পৰিল। অৱশেষত গৈ কথাটো স্বৰ্গদেউৰ কৰ্ণ গোচৰ হ'লগৈ। স্বৰ্গদেউৰ আজ্ঞানুসৰি নানান বেজ-বেজালি, ওজা, সাধু বাবা আদি লগাই আপ্ৰাণ চেষ্টা কৰিও উক্ত প্ৰাণীটোক বশ কিম্বা নাশ কৰিব নোৱাৰিলে। পিছত ব্ৰাহ্মণ মতাই আনি স্বৰ্গদেৱে মছন্দৰী (!) ক ধৰি দিবলৈ নিদান বিচাৰি তাতো বিফল মনোৰথ হ'ল। সৰ্বশেষত স্বৰ্গদেউক শদিয়াল দেউৰীক মতাই আনি এবাৰ চেষ্টা কৰি চাবলৈ বহুতে উপদেশ দিলে। সৰ্বত্ৰই একেমুখে এইটো স্বীকাৰ কৰি হেনো কৈছিল যে দেউৰীৰ বাহিৰে এনে প্ৰাণীক বশ বা বধ কৰাটো কাৰো পক্ষে সম্ভৱ কোনোকালেই নহ'ব।

স্বৰ্গদেৱে ব্ৰাহ্মণ আৰু মন্ত্ৰণাদাতাসকলৰ উক্ত উপদেশ শুনি শদিয়ালৈ কটকী পঠিয়াই চাৰিশালৰ দেউৰী পূজাৰীক উক্ত কাম ফেৰাৰ বাবে মাতি পঠিয়াবলৈ আজ্ঞা কৰিলে। আজ্ঞা মতে কাম। অৱশ্যে ইকাণ-সিকাণ বাগৰি ইতিমধ্যে দেউৰী পূজাৰীসকলৰ মাজতো মছন্দৰী (!)ৰ কথাটো গৈ সোমাইছিলগৈ। এইবাৰ স্বয়ং স্বৰ্গদেৱে উক্ত মছন্দৰী (!) বশ বা বধৰ বাবে মানুহ পাচি দিয়াৰ বাবে তেওঁলোক বিমোৰত পৰিল। ইফালে স্বৰ্গদেউৰ আজ্ঞা! স্বৰ্গদেউৰ আজ্ঞা অমান্য কৰে কেনেকৈ? তেওঁলোকে বহুতো কথা ভাৱি চিন্তি উক্ত কামফেৰা সমাধা কৰাৰ বাবে কেইদিনমানৰ সময় বিচাৰিলে। স্বৰ্গদেৱো সেই কথাত মান্তি হ'ল।

এই বিষয়লৈ শদিয়াৰ চাৰিওশালৰ সকলো পূজাৰী-পৰিয়া সহিত ডাঙৰকৈ পৰিষদৰ মেল বহিল। সকলো শালৰ পূজাৰী-পৰিয়া লোকে মেলত মছন্দৰী (!) বশৰ উপায় উদ্ভাৱনৰ হকে চিন্তা-চৰ্চা কৰিলে। মেলৰ সিদ্ধান্ত অনুসৰি সকলোৱে নিজ নিজ দেওশালত নিশাটো ব্ৰত পালন কৰি প্ৰাৰ্থনাৰে ইষ্টদেৱতাক সমাজিক বা সপোনত নিদান দিবৰ আশাত থাকিল। কথামতেই কাম। ৰাতি টোপনিত নিজ নিজ ইষ্টদেৱ-দেৱীয়ে সপোনত ক'লে যে চাৰিওশালৰ বৰদেউৰী বা বৰপূজাৰী চাৰিওজন পাছদিনা উক্ত পুখুৰীটোৰ উদ্দেশ্যে ৰাওনা হ'ব। গৈ পুখুৰীটোৰ চাৰিও কোণত একোজনকৈ পূজাৰী পানীত নামি একে স্বৰে মূলমন্ত্ৰ আৰু বীজমন্ত্ৰ উচ্চ



স্বৰে উচ্চাৰণ কৰিব আৰু পুখুৰীত ডুব দিব। তাৰ পাছত কৰিব লগীয়া খিনি কাম ইষ্টদেৱতাৰ।

সেই সপোনৰ নিৰ্দ্দেশনা অনুসৰি পিছদিনা চাৰিওজন বৰদেউৰী বা বৰপূজাৰী উক্ত পুখুৰীৰ উদ্দেশ্যে ৰাওনা হ'ল। সেইমতে গৈ তেওঁলোকে পুখুৰীৰ ওচৰত উপস্থিত হ'লগৈ। মছন্দৰী (!) বশ বা বধৰ উদ্দেশ্যি শদিয়াল দেউৰী অহা বুলি শুনি ৰজা-প্ৰজা সকলোৱে জাকে-জাকে পুখুৰীৰ চাৰিওপিনে কিছু নিৰাপদ দূৰত্বত অৱস্থান গ্ৰহণ কৰিলেহি।

সপোনৰ নিৰ্দ্দেশনা মতেই চাৰিওজন বৰদেউৰী বা বৰপূজাৰীয়ে পুখুৰীটোৰ চাৰিও কোণত থিয় দিলেহি। দেউৰী পূজাৰীয়ে তাৰ পিছত একেলগে পুখুৰীৰ চাৰিও কোণত নামি পৰিল। তেওঁলোকে পানীত নমাৰ লগে লগে পুখুৰীৰ সোঁমাজত থকা দোপনিটো হেনো কঁপিবলৈ ধৰিলে। লগে লগে দোপনিত গজি থকা নল-খাগৰি আদি গছ-বনবোৰো হালি-জালি টৌৰ নিচিনা লহৰ তুলিবলৈ আৰম্ভ কৰিলে। যেতিয়া চাৰি বৰদেউৰীয়ে বীজমন্ত্ৰ আৰু মূলমন্ত্ৰ আঁওৰাই পানীত বুৰ মাৰিলে তেতিয়া পানীৰ তলত প্ৰলয়ৰ দৰে গুম্‌গুমনি তুলি মছন্দৰী (!) য়ে ইফালৰ পৰা সিফাললৈ দৌৰিবলৈ ধৰিলে। দেউৰী পূজাৰীসকলৰ মন্ত্ৰৰ বলত মছন্দৰী কোবখোৱাৰ দৰে আধামৰা হ'ল। এটা সময়ত এজন বৰদেউৰীৰ কবলত (কিছুলোকৰ মতে তাম্ৰেশ্বৰী শালৰ বৰদেউৰীৰ কবলত) মছন্দৰী ধৰা পৰিল। তেওঁ মছন্দৰীক গবা মাৰি ধৰি পাৰলৈ উঠাই আনি সকলোৱে সম্মুখতে মাটিত আফালি মাৰি পেলালে।

আহোম স্বৰ্গদেৱে দেউৰী পূজাৰীসকলৰ এই অসাধাৰণ কৰ্মৰ বাবে সন্তুষ্ট হৈ কাকতিক তৎকালে মতাই আনি তামৰ ফলিত লিখাই দিলে বোলে - "শদিয়াল দেউৰীৰ আগত কিহৰ মছন্দৰী"।

এই তামৰ ফলি এতিয়া ক'ত আছে বোধকৰো কোনেও নাজানে। জানোতা বিলাকেও উলিয়াই নিদিয়ে। দিবই বা কিয়?

-০০০-

# ছাগলী নোখোৱা খেল সৃষ্টিৰ কাহিনী

দেউৰীসকলৰ ভিতৰত থকা টেঙাপনীয়া খেলৰ খুটীয় টিকা ফৈদৰ মানুহে সাধাৰণতে ছাগলীৰ মঙহ নাখায়। তেওঁলোকে কিয় কেনেকৈ ছাগলী মঙহ নোখোৱা হ'ল তাৰ অন্তৰালত এটা আমোদজনক জনপ্ৰবাদ প্ৰচলন হৈ আছে।

বহুদিনৰ আগৰ কথা। এটা মৰা গৰুৰ চাৰিওফালে এজাক শগুণ বেৰি-কুৰি আছিল। শটো চুব পৰা নাই। এনেসময়ত সেইফালেদি এগৰাকী বুঢ়ী পাৰ হৈ গৈছিল। বুঢ়ীক দেখি ৰজা শগুণ (লা-চগন) এ মাত লগাই ক'লে যে পাৰিলে অলপ সহায় কৰি দিব লাগে। বুঢ়ীয়ে তেতিয়া উপকাৰ কৰি দিবলৈ ৰাজী হলত ৰজা শগুণে পুনৰ জনালে যে সিহঁতৰ বাবে আজি বহু দিনৰ পিছত আহাৰ এটা মিলিছে, অথচ উক্ত শটো খাবলৈ চুব পৰা নাই। বুঢ়ীয়ে তাৰ কাৰণ সোধাত ৰজা শগুণে জনালে যে যি কোনো মৰা শ যদিও সিহঁতৰ ভক্ষ্য কিন্তু পশ্চিমলৈ মুৰ কৰি পৰি থাকিলে সিহঁত খাব নোৱাৰে। আগত পৰি থকা শটো পশ্চিমমুৱা হৈ পৰি থকাৰ বাবে শগুণৰ অভক্ষ্য গতিকে যিকোনো উপায়েৰে মৰা শৰ মুৰটো পশ্চিমৰ পৰা আন দিশলৈ ঘুৰাই দিব লাগে - যাতে অভক্ষ্য শ তৎমুহূৰ্ত্তে ভক্ষ্য হয়।

সহায়ৰ বিৱৰণ শুনি মৰাগৰুটোৰ নেজত ধৰি বুঢ়ীয়ে কোনোমতে টানি মেলি কিঞ্চিত লৰচৰ কৰি অন্য দিশলৈ কৰি দিলে। তাকে দেখি ৰজা শগুণে শটো চুই দিয়া মাত্ৰকেই অন্যবোৰ শগুণে খাবলৈ লাগি গ'ল। বুঢ়ী যাবলৈ ওলালত ৰজা শগুণে বুঢ়ীক এইৰূপ উপকাৰ কৰি দিয়াৰ অনুগ্ৰহত কিবা এটা দিব খোজাৰ কথা জনালে। বুঢ়ীয়েও কিনো দিব খুজিছা বুলি চাই দেখে যে এফাঁকি মৃত সঞ্জীৱণী মন্ত্ৰ যাৰ গুণত মৰাকো জীয়াই তুলিব পাৰি।

ৰজা শগুণৰ পৰা মৰাক জীয়াব পৰা মৃত সঞ্জীৱণী মন্ত্ৰ লাভ কৰি



বুঢ়ীয়ে মৃতলোকক প্ৰাণ দিব পৰা হ'ল। তেতিয়াৰ পৰা বুঢ়ীয়ে নাম পালে 'মৰাণনী বুঢ়ী'। এনে মন্ত্ৰৰ দ্বাৰা মৰাৰ পিছত প্ৰাণ ঘুৰাই পোৱা সকলেই 'মৰাণ' নামেৰে জনাজাত হ'ল।

এনেকৈয়ে তেওঁবিলাকৰ মাজত মানুহ নমৰা হ'ল। অৰ্থাৎ মৰিলেও পুনৰ জীয়াই তোলা কৰিলে। আনহাতে, ওচৰ-চুবুৰীয়া সকলৰ মাজত জন্মৰ লগতে মৃত্যু অৱধাৰিতৰূপত চলি থাকিল। মৃতকৰ কাজ-কৰ্ম, ভোজ-ভাত খোৱা কাৰ্যও চলি থাকিল। সেইবোৰৰ পৰা মৰাণসকল বঞ্চিত হ'ব লগাত পৰিল। আলৰ বুঢ়া-বুঢ়ী হৈ নমৰা দেখি পৰিয়াল বৰ্গই আলৈ-আহুকাল আৰু অস্বস্তিবোধ কৰিবলৈ ধৰিলে।

এনেতে এদিনাখন এঘৰ মৰাণ মানুহৰ ঘৰত এজনী ছাগলী মৰিল। তেওঁলোকে সেই ছাগলীজনীকে নিজৰ ফৈদৰ বুঢ়ী এগৰাকী মৰিল বুলি মিছাতে কাপোৰেৰে ঢাকি সকলোৱে বেৰি ধৰি পাৰে মানে ৰাউচি জুৰি কান্দিবলৈ ধৰিলে। পিছত সেই ছাগলীজনীক চাঙিত তুলি নি অগ্নি সংস্কাৰ কৰিলে। বংশৰ মানুহ মৰিলে কৰিব লগা দহা-কাজ-কৰ্ম কৰি সকলোৱে মিলি ভোজ-ভাত খালে। এইদৰে ছাগলীক নিজৰ বংশত তুলি লোৱাত সেইদিন ধৰি ছাগলী তেওঁলোকৰ বংশৰ হ'ল বুলি বিশ্বাস কৰিবলৈ ধৰিলে। গতিকে ছাগলীমঙহ খোৱা মানেই বঙহৰ মঙহ খোৱা। সেয়েই তেওঁবিলাকে ছাগলী নেখায়।

এনে অপৰাধৰ বাবে হেনো যমে খঙত অগ্নি-শৰ্মা হ'ল। যমে সেইবাবে উক্ত ফৈদৰ মানুহক বুঢ়াৰ পৰা ল'ৰালৈকে আৰু কুমাৰীৰপৰা বুঢ়ীলৈকে সকলোকে এফালৰ পৰা মাৰি খাস্তাং কৰিবলৈ দূত পাচিলে। দূতে আহি দেখে ল'ৰা, ডেকা, বুঢ়া সকলো একে। কাক আগে মাৰে উৱাদিহ নেপাই কথাটি যমক জনালেগৈ। যমে বুজাই দিলে যে তেওঁবিলাকে মেহেঙা বা মাইহাঙৰ ওপৰত কাঁহী থৈ ভাত খায়। খোৱাৰ সময়ত তেওঁলোক বয়স অনুযায়ী এপিনৰপৰা আসন গ্ৰহণ কৰা দস্তুৰ। জ্যেষ্ঠজনক আগেয়ে ভাতৰ কাঁহী দিয়ে। গতিকে পোনেই যিজনক মেহেঙাত ভাতৰ কাঁহী দিব তেওঁকে আগতে মাৰিব লাগে। দূতে আহি তাকে কৰিলে। তেতিয়াৰ পৰা সেই ফৈদৰ মানুহ মৰি কমিবলৈ ধৰিলে।

তেনেকৈয়ে সেই ফৈদৰ মানুহ মৰি উচ্ছন্ন হ'ল। কেৱল এগৰাকী

গৰ্ভৱতী তিৰোতা ৰ'লগৈ। তায়ো বাঁৰী হ'ল। সময়ত তাই লাউ এটাহে প্ৰসৱিলে। লাউটো দেখি তাই বৰ ভয় খালে। কোনেও নজনাকৈ নৈত উটুৱাই দিলে। উঠি যাওঁতে কেঁচুৱাই কন্দা দৰে মাত ওলাল। কান্দোনৰ মাত শুনি নৈপৰীয়া মানুহবিলাক ক'ৰনো কেঁচুৱা উটি গৈছে চাবলৈ বুলি পাৰলৈ আহিল। সিহঁত নাও-দুনি লৈ জালৰ খেও মাৰি লাউটো পাৰলৈ তুলি আনিলে। সকলোৱে চাই দেখে যে এটা লাউহে। তাৰ ভিতৰত কিনো আছে সকলোৱে চাবলৈ বৰ কৌতূহ'ল হৈ পৰিল। অৱশেহত লাউটো টঙনিয়াই ভঙাত তাৰ ভিতৰৰ পৰা ওলাই পৰিল এটা সুন্দৰ কেঁচুৱা ল'ৰা। কাণ্ড দেখি সকলো সমবেত গঞা নিৰ্বাক হৈ পৰিল। সকলো আচৰিত হৈ এজনে আনজনৰ মুখলৈ চাবলৈ ধৰিলে। লাউটো কোনে নৈত উটুৱাই দিছিল গাঁৱত বিচাৰ-খোঁচাৰ চলিল। কথা বুলিলেই বতাহ। গাঁৱত কথাটো সদৰি হৈ পৰিল। ইকাণ-সিকাণ কৈ বাঁৰী জনীৰ কাণতো কথাটি পৰিলগৈ। তাই আহি ৰাইজৰ আগত সকলো কথা বিৱৰি কৈ সৈ কাঢ়িলে। তেতিয়া ৰাইজে তাইক কেঁচুৱাটো ঘূৰাই দিলে। লাউ পেটত ওলোৱা এই ল'ৰাটিৰ পৰাই সেই বংশ ৰক্ষা পৰিল। সেই গতিকে এই ফৈদৰ মানুহে সেইদিন ধৰি লাউত কদাপি পানী নোখোৱা হ'ল। লাউত পানী ভৰালে বুৰ-বুৰায় দেখি সেই ফৈদৰ নাম বুৰক' বা বুৰুক' বুলি জনা গ'ল। এই বাঁৰী পুতেক ল'ৰাটিয়েই কালক্ৰমত ৰজা হৈছিল বুলি প্ৰবাদ আছে।

-০০০-



# খুন্তুৱান দেশৰ লেক'ৰাই ৰজা

হিন্দুদেশ হিন্দুৱানৰ দৰে খুন্ত ৰজাৰ দেশ খুন্তুৱান। এই খুন্তুৱান দেশত প্ৰাচীনকালত দেউৰীসকলৰ এজন মহা প্ৰতাপী ৰজা আছিল। তেওঁৰ নাম লেক'ৰাই আছিল। তেওঁৰ চাৰিজন ৰাজকোঁৱৰ ক্ৰমে বুৰাই, মুৰাই, কলাই আৰু কচাই। কোঁৱৰ কেইজন ক্ৰমান্বয়ে ডাঙৰ-দীঘল হৈ দেখনিয়াৰ হৈছিল যদিও চৰিত্ৰ বৰ লায়েকৰ নাছিল। খিয়লীয়া আৰু দন্দুৰা স্বভাৱৰ বাবে চাৰিওজনৰ মাজত মিলা-প্ৰীতিৰ ভাৱ সমুলি নাছিল বুলিব পাৰি।

অন্যফালে ৰজা লেক'ৰাই ক্ৰমে বয়স হৈ যোৱাত ৰাজ্য চলোৱাত যথেষ্ট অসুবিধা পোৱা হ'ল। সেয়েহে কোঁৱৰ কেইজনৰ মাজত কাক কেনেকৈ ৰাজ্যভাৰ গতাব পৰা যায় তাকে লৈ বৃদ্ধ লেক'ৰাই ৰজা মহা চিন্তাত পৰিল। চিন্তাত বৃদ্ধ ৰজাই শান্তিৰে শুব-খাব নোৱাৰা অৱস্থা হ'ল। এনে অৱস্থাতে ৰজাই এদিন ৰাতি শুই থাকোঁতে এটি আচৰিত সপোন দেখিলে। সপোনত স্বয়ং দেৱৰাজ ইন্দ্ৰই দেখা দি ৰজাক ক'লে - "তুমি ইন্দ্ৰবংশী ৰজা। তোমাৰ দুখৰ কথা মই জানিব পাৰিছোঁ। পৃথিৱীলৈ আন এগৰাকী দেৱৰাজ কোঁৱৰ পঠাইছোঁ। তেওঁ বিচাৰ কৰি কাক-কি দণ্ড দিব লাগে তাৰ ব্যৱস্থা কৰিব আৰু তোমাক মই স্বৰ্গলৈ লৈ আনিম। তুমি এতিয়া নিশ্চিন্ত হৈ থাকা।"

এই আচৰিত সপোনটোৰ কথা ৰজাই ৰাজকোঁৱৰ সকলোকে জনালে আৰু পাৰ্যমানে সাৱধানে থাকিবলৈ নিৰ্দেশ আজ্ঞা কৰিলে। সঁচা-সঁচিকৈ এদিন হঠাৎ এদল যুঁজাৰু সৈন্য লগত লৈ এজন ৰাজকোঁৱৰ খুন্তুৱান দেশৰ লেক'ৰাই ৰজাৰ ৰাজ্যত উপস্থিত হ'লহি। আহিয়েই তেওঁ বৃদ্ধ ৰজাৰ সহিত চাৰিও কোঁৱৰক আত্মসমৰ্পণ কৰিবলৈ নিৰ্দেশ দিলে।

এই ঘটনাতে বৃদ্ধ লেক'ৰাই ৰজা সহিব নোৱাৰি হঠাত মৃত্যু মুখত পৰিল। বৃদ্ধ পিতৃৰ মৃত্যুৰ ঘটনাত মৰ্মান্তিক বেদনাত জৰ্জৰিত হৈ আৰু অতিশয় ভয়ত চাৰিও কোঁৱৰ ৰাজ্য এৰি পলাই পত্ৰং দিবলৈ চেষ্টা কৰিলে। কনিষ্ঠতম কোঁৱৰ কচায়ে পলাব নোৱাৰি আক্ৰমণকাৰীৰ হাতত ধৰা পৰিল।

তেতিয়া আগন্তুক দেৱ ৰাজকোঁৱৰ জনে বন্দী কচাইক নিজ পৰিচয় দাঙি ধৰি নিজকে ইন্দ্ৰবংশী বুলি চিনাকি দিলে। তেওঁ যে স্বৰ্গৰাজ ইন্দ্ৰৰ আদেশত কচাই কোঁৱৰক ৰাজ্যভাৰ অৰ্পণ কৰিবলৈহে আহিছিল তাকো জনালে। পিছত, দেৱৰাজ কোঁৱৰৰ অভিযানৰ কথা গম পাই কচাই পৰম আনন্দিত হ'ল। তেতিয়া দেৱৰাজ কোঁৱৰে কচাইক ৰাজ্যভাৰ দি অদৃশ্য হ'ল।

এই অদ্ভুত ঘটনা হঠাতে সম্পন্ন হোৱাৰ বাবে নতুন ৰজা কচাইৰ বৃদ্ধ পিতৃৰ কথা মনলৈ আহি থাকিল। তেওঁ অনুতপ্তৰ শিখাত দগ্ধ হৈ বৃদ্ধ পিতৃক স্বৰ্গবাসী হোৱাটো অন্তৰেৰে কামনা কৰিলে।

-০০০-



# বিয়াৰ আঁতি-গুৰি সম্পৰ্কে লোক-কাহিনী

দেউৰীসকলৰ আদি ৰজা খুন্ত বা খুম্ভ আৰু ৰাণীৰ নাম আছিল মধুমামা। তেওঁলোকৰ সতি-সন্তান নোহোৱা বাবে মনত বৰ দুখ, অশান্তি। ৰজা খুম্ভ বৰ মৃগয়াপ্ৰিয় হোৱাৰ বাবে এদিন তেওঁ মনে-চিতে মিলা কিছুমান বিশ্বাসী অনুচৰ লৈ চিকাৰলৈ গ'ল। চিকাৰ বিচাৰি গৈ দিক্‌ছৌ বনত সোমাই ৰজাৰ বৰ ভাগৰ লাগিল। ওচৰতে এখন সৰু নৈ দেখি ভাগৰে-জোগৰে পাৰতে জিৰাবলৈ মন কৰি গছৰ ছাঁত বহিল। সেই ছেগতে অনুচৰসকলে লগত নিয়া ভাতৰ টোপোলা মেলিলে। 'মকজি' খাই সকলোৱে এখন্তেক জিৰাই-শঁতাই আকৌ ওলাল। বাকী টোপোলাবোৰ গছ এজোপাত ভালকৈ চিন দি আঁৰি থৈ গ'ল। হাবিয়ে জংঘলে গৈ থাকোঁতে ৰজা খুম্ভৱে এক আচৰিত দৃশ্য দেখি থমকি ৰ'ল। আগে পাছে তেনে দৃশ্য কেতিয়াও দেখা নাছিল গুণে সেইফালে তধা লাগি চাই থাকিল। কিনো বস্তু বুলি চাবলৈ কৌতুহল জন্মি লাহে লাহে আগবাঢ়ি গ'ল। ওচৰলৈ গৈ ভালকৈ চাই দেখিলে সৰু-বৰ নানান চৰায়ে ডেউকা মেলি মেলি ৰ'দ নপৰাকৈ ঢাকি ধৰি আছে। সেইটোনো কি চাবলৈ অনুচৰসকলক তাতে সাৱধানে ৰাখি একো ভয় সংকোচ নকৰাকৈ ধেনু-কাঁড় লৈ ৰজাই আগুৱাই গ'ল। আচহুৱা জনক ওচৰ চপা দেখি চৰাইবোৰে চিঞৰ-বাখৰ লগাই ভয়ত প্ৰায়বোৰ উৰি গ'ল। তেতিয়াহে তেওঁ চৰাইবোৰৰ মাজত এগৰাকী দিপলিপ গাভৰু ছোৱালী বহি থকা দেখা পালে। তাই একেথৰে ৰজালৈ চাই থকা দেখি খুম্ভৱে অভয় আৰু আশ্বাস দি গাভৰুৰ কাষ চাপিল। দেৱী নে মানৱী সুধি ৰজায়ো নিজৰ পৰিচয় দিলে। তাই ৰজাক দেখি চিনি পালে বাবে মিচিকিয়াই হাঁহি সম্ভাষণ জনালে। তাইৰ আলপৈচান, আদৰ-সাদৰ আৰু অতুলনীয় ৰূপ যৌৱনত ৰজা অত্যন্ত আকৃষ্ট হ'ল। তাইক আপোন কৰি ল'বলৈ ইচ্ছা কৰি নিজৰ অভিপ্ৰায় জনালে। ৰজাৰ মনৰ কথা বুজিব পাৰি তাই অনুনয়-বিনয়ে ক'লে - বোলো

ৰজাই তাইৰ কথা ৰাখিলেহে তায়ো ৰজাৰ কথা ৰাখিব পাৰে। ৰজাৰ সন্মতি পোৱাত তাই ৰজাক ক'লে যে ৰজাই বসন্ত কালৰ ভাল দিন-বাৰ-ক্ষণ চাই-চিতি পালি পহৰীয়াৰে স'তে আহি তাৰ পৰা বাদ্য-ভাণ্ড বজাই ৰীতিমতে আদৰি নিবহি লাগিব। তেতিয়া তাই যাব নহ'লে ৰজাৰ কথা মানিব অৰ্থাৎ ৰাখিব নোৱাৰিব।

তেতিয়া ৰজাই তাইৰ পৰা সকলো কথা সুধি-পুচি কি কি বস্তু লাগিব তাৰ আকাৰ-প্ৰকাৰ, ঢোল-দোগৰ আদিৰ ছেও পৰ্যন্ত সুধি-পুচি ললে। লগত বিশেষকৈ 'চুজেঁ' (মদ) আনিবলৈ ক'লে। খুন্তুৱে মদ তৈয়াৰ কৰা প্ৰণালী জনা নাছিল গতিকে তাইৰ পৰা শিকি-বুজি ল'লে। তাই সন্মুখৰ গছ এজোপালৈ ৰজাক আঙুলিয়াই দেখুৱালে আৰু ক'লে যে, সেই গছজোপাৰ শিপা, ছাল, পাতৰ লগতে কুৰিবিধমান বনৌষধ গোটাই লৈ ঢেঁকীত খুন্দিব। তাৰ লগত আৰৈ চাউল মিহলাই পিঠা খুন্দিব। পানী দি মিহলাই ঘিলা পিঠা সাজি বৰ চালনিত সেইবোৰ শুকাই থ'ব। শুকালত সেয়াই হৈ পৰিব 'পেৰঁকুচিৰি' অৰ্থাৎ মদৰ পিঠা। ভাতৰ লগত সেই অনুপাতে পিঠা মিহলাই ডলাত মেলি থ'ব। কেইদিনমানত ভাতবোৰৰ পৰা মধুৰ গোন্ধ উঠিব। তেতিয়া মঠিয়াই কলহ বা আন পাত্ৰত ভৰাই থ'ব। ১০-১২ দিন মানত সেইবোৰ ৰস ওলাই মলমলাই উঠিব। খাবলৈ মিঠা আৰু নিচাযুক্ত এই ৰস বৰণত কিঞ্চিত হালধীয়া। ৰজাক নিজে এবাৰ কৰি তাৰ জুতি ল'বলৈ ছোৱালীজনীয়ে ক'লে। দুয়োৰে মন মিলিলত ৰজাক তালৈ নিজে নাহি চৰ পঠাবলৈ কৈ বিদায় দিলে।

ৰজা খুন্তুৱে সেয়ে হ'ব বুলি শলাগি গুচি আহিল। ৰজা ঘূৰি আহি চিন দি থোৱা গছৰ তল পালেহি। ভাতৰ টোপোলাবোৰ মধুৰ গোন্ধেৰে মলমলাই আছে আৰু টপ্‌টপ্‌কৈ ৰস ওলাই মাটিত পৰিছে। অনুচৰসকলে তাকে দেখি চাই মেলি খাই চালে। সোৱাদ পাই ৰজাক জনোৱাত তেওঁ দেখিলে মদৰ ঔষধৰ গছ এজোপাতহে টোপোলাবোৰ আঁৰি থোৱা আছে। তেতিয়া ৰজাৰ অন্তৰত ছোৱালীজনীয়ে কোৱা কথা দৃঢ় হৈ পৰিল। দেউৰী মানুহে এই গছজোপা আজিও ভালকৈ চিনে যাক তেওঁলোকে 'মেজাপাই' বুলি কয়।

ৰজাই চিকাৰৰ পৰা ঘূৰি আহি চৰ কাক পাতিব মীমাংসা নোহোৱাত



বৰ চিন্তাত পৰিল। পক্ষীবোৰেই ছোৱালীজনীৰ সংগী যেতিয়া পক্ষীকে চৰ পতাৰ কথা থিৰাং কৰিলে। পোনতে ফেচুলুকাক (দুপেকেলৌ) মতালে। তাই গেদুলুকা পোৱালি এৰিব নোৱৰা বুলি আপত্তি কৰিলে। ৰজাই নিজে তাহাঁতৰ লালন-পালনৰ ভাৰ লোৱাত ফেচুলুকা মান্তি হ'ল। তাহাঁতক আনি ৰজাৰ হাউলিত গতালেহি। শেনে নিয়াৰ ভয়ত ৰজাই ধঁপাতৰ টেমাত ভৰাই থ'লে। ৰজাৰ অন্তৰৰ কথা জনাবলৈ ফেচুলুকা চৰ হৈ ছোৱালীজনীৰ তালৈ গ'ল। ইপিনে ৰজাই ইতিমধ্যে মদ তৈয়াৰ কৰি তাৰ জুতি ল'লে। মদৰ জুতি টেঙা পাই চৰক অমিলৰ কথাটো ছোৱালীজনীক ক'বলৈ ৰজাই পাচিলে। ৰজালৈ কৈ পঠালে যে মধুমামাৰ বেয়া দোষ এটা আছে। সেইটো হ'ল কুদৃষ্টি, যিটো তাই নিজে দেখে বা আনে কোৱা শুনে তাতেই তাইৰ কুদৃষ্টি পৰে বা মুখ লাগে। গতিকে পৰাপক্ষত তাইক নকৈ বা নেদেখুৱাই তাইৰ দৃষ্টিৰ পৰা আঁতৰাই ৰাখিব। তেনেকৈয়ে প্ৰমাণ চাই ৰজাই সেইবাৰ মদৰ সোৱাদ মিঠা পালে।

দিন গৈ আছে যদিও ফেচুলুকাৰ কথা ছোৱালীজনী প্ৰায়ে নুবুজে। এদিন খঙতে থু পেলাই দি ক'লে যে 'আজিৰ পৰা তোৰ কপালৰ ফোঁট টিকাত লবি'। নিমিষতে ফেচুলুকাৰ মুখৰ বৰণ সলনি হৈ পৰিল। 'যাওঁ দেই দৌ' বুলি গুচি আহি তাই কথাটো ৰজাক জনালেহি। সেইদিনাৰ পৰা ৰজাই ফেচুলুকাক সেইকামৰ পৰা আজৰাই দিলে। ইতিমধ্যে পোৱালীবোৰ ধঁপাতৰ টেমাত উৰণীয়া হৈ মাত কাঢ়িলে। সেয়েহে মানুহৰ মাত মাতিব পৰা চৰাইৰ ভিতৰত ফেচুলুকা (বুলবুলি) প্ৰথম। খুন্তু ৰজাৰ ধঁপাতৰ টেমাত ডাঙৰ হোৱা বাবে সেই আকাৰৰ বাহ সাজিবলৈ শিকিলে আৰু সহজতে পোহ মানে।

এইবাৰ বাঢ়েটোকা চৰ নিযুক্ত হৈ পৰস্পৰৰ মনোভাৱৰ আদান-প্ৰদানৰ বাহক হ'ল। এদিন ছোৱালীজনীয়ে চৰক ক'লে যে বসন্ত কাল উদয় হোৱাৰ লগে লগে ৰজাই তাইক নিবহি লাগে। এই শুভ সংবাদ পাই খুন্তু ৰজাই সকলো প্ৰকাৰে সাজু হ'ল। চৰৰ কামত সন্তোষিত হৈ এই যাত্ৰাৰ দলপতি তাকেই পাতিলে। শুভদিন ধাৰ্য কৰি বিয়াৰ প্ৰস্তুতি পূৰ্ণ গতিত ৰজাই চলালে। সকলোৱে ৰজাৰ আসন্ন বিবাহৰ প্ৰস্তুতি বাবে সাজু হ'ল। বাঢ়েটোকাৰ নেতৃত্বত পক্ষীবোৰৰ সহায় লৈ শুভক্ষণত নানান বাদ্য-

ভাগু, ঢোল-দগৰ বজাই ৰজাই ছোৱালী আনিবলৈ যাত্ৰা কৰিলে। বিবাহৰ কোলাহলত এখন মহামেলা সৃষ্টি কৰি আনন্দ উৎসৱত সকলো বিভোৰ হৈ পৰিল। লগত বিধে বিধে খোৱা বস্তু লোৱা হ'ল। ছোৱালী পক্ষই বাটৰ পৰা দৰাপক্ষক আগবঢ়াই নিলেহি। ৰজাই সকলোকে খুৱাই-বুৱাই আপ্যায়িত কৰিলে। তেওঁলোকৰ মধুমিলনত সকলো সুখী হ'ল মুগ্ধ হ'ল। সকলোৰে আশীৰ্বাদ আৰু শুভেচ্ছা লৈ ৰজা খুন্ত বসন্তকালৰ এক বাদ্যমুখৰ নিশা ছোৱালী লৈ নিজ পুৰী পালেহি। তাইক মাধমামা নাম দি মাদৈ পাতিলে। দেউৰী সকলৰ মতে এয়ে বিয়াৰ সূত্ৰপাত বুলি লোক-বিশ্বাস।

-০০০-



# নিতাই পুখুৰী আৰু চেঁচুঘাট সম্পৰ্কত লোক-কাহিনী

আহোম স্বৰ্গদেউসকলৰ ৰাজকালতো কছাৰী, চুটিয়া ৰজাসকলৰ দিনৰ দৰে দেউৰী পূজাৰী সকলৰ ঘনিষ্ঠ সম্বন্ধ আছিল। স্বৰ্গদেউসকলে দেউৰীৰ পৌৰহিত্য স্বীকাৰ কৰি শদিয়াৰ চাৰি দেওশালৰ নিৰ্মালি-প্ৰসাদ গ্ৰহণ কৰিছিল। চাৰি দেউৰী বা পূজাৰীবৃন্দ ৰাজসভালৈ আহিলে স্বৰ্গদেৱে সম্মান জনাইছিল। স্বৰ্গদেউসকলক নিৰ্মালি-প্ৰসাদ অৰ্পণ কৰিবলৈ চাৰিদেউৰী পূজাৰী বছৰি শদিয়াৰ পৰা শিৱসাগৰ (ৰংপুৰ) লৈ আহিছিল। এনেকৈয়ে চাৰি বৰদেউৰীৰ লগত নিতাই ৰাজকোঁৱৰৰ ভেটাভেটি হৈছিল।

ৰাজকোঁৱৰ নিতায়ে নিজৰ নাম চিৰস্মৰণীয় কৰিবলৈ পুখুৰীখনন কাৰ্যত হাত দিছিল। সেই উদ্দেশ্য তিনিটা পুখুৰী খনাইছিল। তিনিওটা পুখুৰী শিৱসাগৰৰ বৰবৰুৱা আলিৰ কাষত আজিও বৰ্তমান। প্ৰথমটো শিৱসাগৰ নগৰৰ পৰা পশ্চিমে চাৰি মাইলমান আঁতৰৰ বেতবাৰীলৈ যোৱা পথত। দ্বিতীয়টো পূব দিশৰ ডিমৌ চাৰিআলিৰ পৰা দিহিঙৰ ফাললৈ দুমাইলমান উজনিত। এই দুয়োটা পুখুৰী যথেষ্ট পৰিমাণে খনাতো পানী নোলালত দুয়োটা পুখুৰীকে শুকান পুখুৰী বুলি জনা গ'ল। ৰাজকোঁৱৰে নিৰাশ নহৈ আকৌ এটা পুখুৰী অৰ্থাৎ তৃতীয়টো পুখুৰী খনাবলৈ উঠিপৰি লাগিল। এইবাৰ নিজে মানুহ আনি নখনাই বাটেদি অহা-যোৱা কৰা মানুহৰ হতুৱাই খনাবলৈ স্থিৰ কৰিলে। এইটোৱেই নিতাই পুখুৰী যিটি দিহিং নৈৰ পৰা এমাইলমান ভটীয়াই বৰবৰুৱা আলিৰ সোঁফালে অৱস্থিত। খনন কাৰ্য আৰম্ভ হ'ল। সেইফালেদি যি বাটৰুৱাই যায় কোনো সাৰি যাব নোৱাৰাকৈ নিতায়ে পুখুৰী খনাত লগায়। এইদৰে খনন কাৰ্য শেষ হৈ অহা মুহূৰ্ত্তত সেই বাটেদি চাৰি দেউৰীপূজাৰী শদিয়াৰ পৰা আহোম স্বৰ্গদেউক পূজাৰ নিৰ্মালি-প্ৰসাদ দিবলৈ ৰংপুৰলৈ আহিছিল। নিতায়ে দেউৰী পূজাৰী সকলক আগভেটি পুখুৰীৰ মাটি চপৰাদিয়েক দলিয়াই থৈ যাবলৈ ক'লে। তেওঁলোকে এই কথাত মান্তি নোহোৱাত নিতায়ে নেৰাত বিপাঙত পৰিল।

কাৰণ, পূজাৰ আশীষ স্বৰূপ নিৰ্মালি-প্ৰসাদ য'তে ত'তে থব নোৱাৰি, যেয়ে সেয়ে চুব আৰু দেখিব নেপায়। অৱশেষত উপায়ান্তৰ হৈ তেওঁলোকে সলনা সলনিকৈ দুচপৰামান মাটি দলিয়াই দিলে। দেউৰী পূজাৰীসকলৰ স্বতন্ত্ৰ মৰ্যাদাত আঘাত পোৱাটো স্বাভাৱিক যদিও এই কাৰ্যৰ পৰিণতি ভয়ানক বুলি গণ্য কৰি নীৰৱে তেওঁলোকে তাৰ পৰা গুচি গ'ল।

দেউৰী পূজাৰীসকলে গৈ ৰংপুৰ পালেগৈ। প্ৰচলিত ৰীতি-নীতিমতে স্বৰ্গদেউ ৰাজেশ্বৰ সিংহ (১৭৫১-৬৯ খৃঃ) ক নিৰ্মালি-প্ৰসাদ অৰ্পণ কৰিলে। স্বৰ্গদেৱে তেওঁলোকক সম্বৰ্দ্ধনা জনাই দেৱ নিৰ্মালি-প্ৰসাদ সাদৰে গ্ৰহণ কৰিলে আৰু দেশৰ মংগল বাতৰি ল'লে। দেউৰী পূজাৰীসকলে কথাৰ ছলতে উলিয়ালে। সবিনয়ে ক'লে, 'বোলে অ দেৱ, এইবাৰ দেশৰ অৱস্থা বেয়া অৰ্থাৎ মহামায়া বিতুষ্ট'। স্বৰ্গদেৱে চিন্তান্বিত হৈ উৎসুক চিত্তে তাৰ প্ৰতিকাৰৰ উপায় বিচাৰিলে। পূজাৰীবৃন্দই সমিধানত ক'লে, বোলে 'মহামায়াই স্বৰ্গদেৱৰ গাৰ নোম বিচাৰিছে।' স্বৰ্গদেউক বিমোৰ দেখি আকৌ ক'লে, যে স্বৰ্গদেৱৰ বঙহৰ এজনক দিলেই হ'ব। আজ্ঞা কৰিলে তাৰ প্ৰতিকাৰৰ উপায় ওলাব। 'সেয়ে হওক' বুলি স্বৰ্গদেৱে সন্মতি দিলে।

দেউৰী পূজাৰী বৃন্দই ৰাজ অনুমতি লৈ শদিয়ালৈ উভতিল। বাটতে আকৌ নিতাইৰ সতে তাতে ভেটা ভেটি হ'লহি। এই ছেগতে নিতাইক কেঁচাইখাতীলৈ বিধিমতে উৎসৰ্গা কৰিলে। তংলতীৰ মন্ত্ৰপূত জলৰ ছাত পোৱা মাত্ৰকতে নিতাইৰ মুখৰ মাত হৰিল। পুখুৰীৰ পানী উঠলি এধাৰ তৎমুহূৰ্ত্ততে ছিগি বৈ গ'ল। থিতাতে হুৰা-দুৰা লাগিল। ভয়ত মানুহ বিলাক য'তে কাম ত'তে এৰি পলাই পত্ৰং দিলে। নিতায়ে মন্ত্ৰমুগ্ধৰ দৰে পূজাৰীসকলৰ পিছে পিছে খোজ ল'লে। নিতাইক নি ডিব্ৰুগড়ৰ কালী আই থানৰ ওচৰত চিকণা বাঁহৰ চেঁচুৰে বলি দিলে। বাঁহৰ চেঁচুৰে বলি দিয়াৰ বাবেই ঠাইডোখৰৰ নাম চেঁচুঘাট হ'ল। কিছুলোকৰ মতে নিতাইতে বলি দিলে বুলি জনা যায়। নিতাই পুখুৰী পূৱ পিনে কাষতে দুটা মৈদাম দেখা যায়। কোনে জানে সেইবোৰ কাৰ মৈদাম?

নিতাই পুখুৰী সম্পূৰ্ণ হৈ নুঠিল যদিও সেইবোৰৰ চিন আজিও বিদ্যমান। দেউৰীপূজাৰীয়ে আজিকালিও তাৰ পানী নেখায়।

-০০০-



# মেজিৰ উৎপত্তি লোক-কথা

দেউৰীসকলৰ মাজত মেজিৰ উৎপত্তি সম্পৰ্কে এটা কিম্বদন্তি আছে। সৃষ্টি পাতনিৰ আৰম্ভণীতে কুন্দিমামা বা আদি পিতা-মাতাই সংসাৰ বঢ়াবলৈ ইচ্ছা কৰিলে। সেইকাৰণে তেওঁলোকৰ মহা শক্তিৰ পৰা উদ্ভৱ হোৱা দেৱতাসকলক আহ্বান কৰে। সেই উদ্দেশ্য সিদ্ধি কৰিবলৈ আদিম পিতাই সূৰ্য উত্তৰায়ণৰ পূণ্য লগ্নৰ শুভ মুহূৰ্তৰ প্ৰত্যুষতে প্ৰকৃতিৰে সৈতে নৈত স্নানৰ বাবে আদেশ কৰিলে। সেইমতে সকলো স্নান কৰি থাকোঁতে মৰাশ এটা ওপঙি অহা দেখা পালে। শটো দেখি দেৱতাগণে ভয় খাই স্নান ত্যাগ কৰিলে। কিন্তু প্ৰকৃতিয়ে শটো সাৱটমাৰি ধৰি পাৰলৈ তুলি নিলে। তেওঁৱেই যে আদিম পুৰুষ বা আদিম পিতা আৰু জগতৰ কল্যাণৰ হেতু অনুত্যাগ কৰিলে - এইকথা বুজাই কোৱা হ'ল। তেতিয়া তেওঁলোকে পৰম উপকৃত হৈ চিতা সাজি তেওঁক কাঠ সংস্কাৰ কৰিলে। অৱশেষত তেওঁবিলাকে নৈত পুনৰ স্নান কৰিলে আৰু সেই চিতাভস্মৰ অনুলেপন লৈ স্ব-গৃহলৈ গমন কৰিলে। তেনেকৈয়েই মেজিৰ উৎপত্তি হ'ল বুলি লোক-বিশ্বাস।

দেউৰীসকলৰ মতে মেজি হ'ল আদিম পুৰুষ বা পিতাৰ চিতা জুই আৰু সৃষ্টি পাতনিৰ পুণ্য সোঁৱৰণী। কিন্তু অগ্নি পূজাৰ ব্যৱস্থা নহয়। কৌটি কালৰ পৰা আজিলৈকে সূৰ্য উত্তৰায়ণৰ সময়ত প্ৰতি বছৰেই মেজিপোৰা আনন্দ উৎসৱৰ যোগেদি পালিত হৈ আহিছে। মহাভাৰতৰ পৰা জনা যায় যে এই সূৰ্য উত্তৰায়ণৰ পুণ্য ক্ষণত ইচ্ছা মৃত্যুমতে ভীষ্মদেৱে প্ৰাণত্যাগ কৰে। অতীজত মাঘমাহৰ পৰা বছৰ আৰম্ভ হৈছিল বুলি প্ৰবাদ আছে। এই মাহতেই সেয়েহে বছৰটোলৈকে মাংগলিক কাৰ্যাদি সমাপন কৰা ৰীতি-নীতি আজিও প্ৰচলিত হৈ আছে।

মাঘবিহুৰ উৰুকাৰ দিনা নৈ, জান বা পুখুৰী পাৰত বিশ-পঁচিশ হাতমান ওখকৈ ফলা খৰিৰ থাকেৰে দুটা মেজি (আজিকালি প্ৰায় এটা) সজা হয়। মেজি সাজি গধূলিলৈ তাত গাঁৱৰ ল'ৰাৰ পৰা বুঢ়ালৈকে সকলো পুৰুষ মিলি সামাজিক অভিৰুচিমতে মিলা-প্ৰীতিৰে ভোজ ভাত খায়। ডেকাহঁতে পুহৰ ঠেৰেঙা লগোৱা ঠেঁটুৱৈ নগণি ৰাতিৰ ৰাতিটো বিহু মাৰে।

ৰাতিপুৱা কাউৰীয়ে কা নৌ কৰোঁতেই মেজি জ্বলোৱা দস্তুৰ। মাঘৰ প্ৰথম বিহু দিনা ডেকা এজনে বা দুজনে গা-ধুই শৰাই এখন দি ৰাইজৰ হৈ তাত সেৱা কৰে। ৰাইজে সকলোৱে নৈ বা পুখুৰীত বুৰমাৰি গা-পা ধুই নতুন সাজেৰে মেজিস্থলীত গোট খায়হি আৰু বিশ্বনিয়ন্তাক জয়ধ্বনি দি প্ৰাৰ্থনা জনায়। তামোল-পাণ, তাম, তিল, মাহ, পিঠাপনা আদি মেজিৰ জুইত অৰ্পণ কৰে। সেই দিনৰ পৰাই বিহু আৰম্ভ হয় আৰু আগবেলা কোনেও ভাত নেখায়। জা-জলপান, গুড়-গাখীৰ, পিঠাপনা, সান্দহ-চিৰা খাই থাকে। সেইদিনা বিশেষকৈ গোট কৰাই আৰু কাঠ আলু নেখালে গাহৰি জনম পায় আৰু পুৱা গা নুধুলে কাউৰী জনম পায় বুলি লোকবিশ্বাস। উক্ত দিনা যিকোনো ঠাইৰ গা-ধোৱা পানী গংগাজল বা 'চুচিজি' (শান্তি জল) সমতুল্য বুলি বিশ্বাস কৰে।

উক্ত দিনাই ৰাতিপুৱাতে বাৰীৰ গুটিলগা গছ-গছনিবোৰ আহুধানৰ খেৰেৰে মেৰিয়াই বন্ধা হয়। তেনে কৰিলে গুটি লমা-লমে লাগে বুলি লোকবিশ্বাস। ডেকা আৰু চেমনীয়াহঁতে আহুধানৰ খেৰ পুৰি ছাই কৰে আৰু সৰিয়হ তেল মিহলাই ভষ্ম কৰে। তাৰে গোহালীৰ গৰু-গাই, খুটিৰ ম'হক ফোঁট দিয়ে আৰু নিজেও লয়। গৰুগাই আৰু ম'হৰ পিঠিত চিত্ৰ বিচিত্ৰ কৰে যাক তেওঁলোকে 'তেলছাই' বোলে। এইবোৰ ৰীতিৰ পৰা গৰখীয়া আৰু গৰু-গাই উভয়ৰে মংগল আৰু হিংস্ৰ জন্তুৰ পৰা ৰক্ষা কৰা হয় বুলি তেওঁলোকৰ মাজত লোকবিশ্বাস।

-০০০-



# আহোম-চুটিয়া ৰণৰ লোক-কাহিনী

দেউৰী পূজাৰীসকলে চৰাইদেওৰ দেওশালত পূজা-সেৱা আগবঢ়াইছিল বুলি লোকপ্ৰবাদ আছে। স্বৰ্গদেউসকলৰ দিনত তাত নৰবলি দিয়া হৈছিল। এসময়ত সেই থানতেই স্বৰ্গদেউ বা অন্য ৰজাসকলে মূৰ দোঁৱাই সেৱা কৰিছিল। জয়ধ্বজ সিংহৰ দিনত এই দেওশালৰ নৰবলি প্ৰথা বন্ধ হয়। তাত দেউৰী পূজাৰীয়ে পূজা-সেৱা চলাই থকাৰ বলতেই বা আশীষতেই স্বৰ্গদেউ সকলে বোলে চুটিয়া ৰজাক ঘটুৱাব নোৱাৰিছিল। তদুপৰি চুটিয়া ৰজাৰ মাকৰ চুলি টাৰত বোলে ৰজাৰ জীৱটো আছিল। গতিকে আহোমে চুটিয়াক কোনোপধ্যে যুদ্ধত পৰাস্ত কৰিব নোৱাৰি ছলেৰে জয়লাভ কৰিছিল। দেউৰীসকলৰ মতেও চুলিতেই আয়ুস থাকে বুলি লোক-বিশ্বাস। 'চুলিৰ সমান আয়ুস হওঁক' বুলি সেয়েহে আশীৰ্বাদ দিয়া দস্তুৰ। এজন দেউৰীৰ মুখত গোপনে আহোম স্বৰ্গদেৱে কথাটো জানিছিল। কথাটো জানিব পাৰি স্বৰ্গদেৱে দেউৰী পূজাৰীসকলক প্ৰথমতে হাত কৰি ললে। তেওঁবিলাকৰ হতুৱাই চৰাইদেওৰ দেওশালত পূজা কৰোৱাই গোসাঁনীক সন্তুষ্ট কৰে। এবাৰ এজন বিশ্বাস ঘাতকক নিয়োগ কৰি চুটিয়া ৰজাৰ মাকৰ চকুত মিছাতে ধূলি পেলাই দিয়ালে আৰু সেই ধূলি গুচাই দিওঁ বুলি ছলেৰে চুলিটাৰ কাটিলে। চুলি কটা মাত্ৰকে চুটিয়া ৰজাৰ আয়ুস পৰি আহিল। চুলিৰ পৰা জীউ উলিয়াই দি বিশ্বাস ঘাতকতা কৰাৰ কথা আবৰ-ব গীতত উল্লেখ আছে। পিছত আহোমে চুটিয়াক যুদ্ধত হৰুৱাই ৰাজ্য দখল কৰে।

চুলি পৰম আয়ুস বুলি উনুকিয়াই অহা হৈছে। এই উপকথাটোৰ পৰাও তাকে বুজা যায়। তেওঁলোকে সেই কাৰণে চুলি নেকাটিছিল। কিন্তু কেতিয়াৰ পৰা সিবিলাকে চুলি কাটিবলৈ ললে কোৱা টান। এই সম্বন্ধে মহাভাৰতৰ ৰুক্মিণী হৰণৰ আখ্যানৰ এটি কথাৰ লগত দেউৰী বিলাকৰ

এই জনশ্ৰুতিৰ সাদৃশ্য বিশেষ মন কৰিবলগীয়া। বিদৰ্ভ ৰাজ্যৰ ৰুক্মিণী দেৱীক দ্বাৰকাৰ শ্ৰীকৃষ্ণই হৰণ কৰি নিওঁতে ৰুক্মিণীৰ ককায়েক ৰুক্মই পাছে পাছে খেদি গৈ যুদ্ধ কৰিছিল। যুদ্ধত জিকি শ্ৰীকৃষ্ণই ৰুক্মক অৰ্থাৎ জেঠেৰীয়েকক প্ৰাণে নেমাৰি চুলি কাটি এৰি দিছিল। লাজ অপমানত জৰ্জৰিত ৰুক্মই নিজ নগৰলৈ নগৈ অনুচৰবৰ্গৰ সৈতে নিৰ্জন ঠাইত থাকিবলৈ লোৱাৰ কথা পোৱা যায়। অপমানিত ৰাজকুমাৰক সহানুভূতি দেখুৱাবলৈ লগৰীয়া বিলাকেও চুলি কাটিছিল বোলে।

-০০০-



# কেন্দুকলাই বৰদেউৰীক লৈ লোক-কাহিনী

গুৱাহাটীৰ নীলাচল পাহাৰৰ কামাখ্যা গোসাঁনীৰ পূজাৰী এসময়ত আছিল কেন্দুকলাই বৰদেউৰী। তেওঁ গোসাঁনীৰ বৰ প্ৰিয় ভক্ত আছিল বুলি জনা যায়। কামাখ্যা গোসাঁনীয়ে নিজে আকাৰীৰূপত প্ৰিয় ভক্ত কেন্দুকলাইক দেখা দিছিল; কিন্তু তেওঁৰ বাহিৰে কোনেও কামাখ্যা গোসাঁনীৰ আকাৰীৰূপ দৰ্শন কৰিবলৈ সক্ষম নহৈছিল। কোঁচৰজাই কামাখ্যা গোঁসানীক নৃত্যৰত ৰূপত স্ব-চক্ষুৰে চোৱাৰ হেঁপাহৰ বাবে কেন্দুলাই বৰদেউৰীক এটি উপায় উদ্ভাৱনৰ বাবে খাটনি ধৰিলে। বন্ধ দুৱাৰৰ মন্দিৰৰ ভিতৰত বিয়লি-সন্ধিয়া বেলাৰ আৰাধনাৰ সময়ত নৃত্যৰত দেৱী-দৰ্শনৰ বাবে বাধা থকা সত্বেও বৰদেউৰীয়ে উপায়বিহীন হৈ ৰজাক বেৰৰ জলঙাইদি জুমি চাবলৈ পৰামৰ্শ আগবঢ়ালে। তাকে শুনি যেতিয়া ৰজাই জুমি চাবলৈ ধৰিলে তেতিয়া গোসাঁনীৰ চকুত ধৰা পৰিল। সিদ্ধপূজক কেন্দুকলাই বৰদেউৰীয়ে নৰকাসুৰক কামাখ্যা দেৱীৰ নাচোন দেখুৱাত গোসাঁনী বিতুষ্ট হৈ খঙত একো নাই হ'ল। খঙৰ ভমকত গোসাঁনীয়ে চৰিয়াই কেন্দুকলাই বৰদেউৰীৰ মূৰটো ছিঙি পেলায়। কেন্দুকল্যাইৰ মূৰটো মাটিত পৰা মাত্ৰকে শিললৈ পৰিণত হ'ল। তেতিয়া গোসাঁনীয়ে কেন্দুকলাইক এই বুলি অভিশাপ দিলে যে তাৰ বংশ সম্পূৰ্ণ লুপ্ত নহয়। কিন্তু বৃদ্ধিও নাপাব। কেন্দুকলাই বৰদেউৰীয়েই দেউৰী পূজাৰী গোষ্ঠীৰ উপৰিপুৰুষ আছিল। তেওঁৰ বংশধৰ দেউৰী সমাজত আজিও বৰ্তমান। তেওঁৰ বংশধৰ এজনে কামাখ্যাৰ পৰা সেই শিলটো তাম্ৰেশ্বৰী মন্দিৰলৈ আনিছিল বুলি বুঢ়ালোকে কোৱা শুনা যায়।

অন্যহাতে ৰজা আৰু তেওঁৰ পৰৱৰ্তী পুৰুষ সকলোকে গোসাঁনীলৈ আনকি দেৱীস্থিত পাহাৰলৈ চোৱাৰ পৰা বাৰণ কৰিলে, অন্যথা ভীষণ দণ্ড বিহাৰ ব্যৱস্থা কৰা হ'ল। ইয়াৰ সত্যাসত্য ঘটনা যিয়েই নহওঁক কিয় এনে বাধা আৰোপৰ পৰিণতিতেই বৰ্তমানলৈকে কোঁচ ৰজাৰ স্থানীয় পূৰ্ব-পুৰুষসকলে বোলে উক্ত পাহাৰৰ ওচৰেদি গ'লে মেলা ছাতিৰে ঢাকি পাৰ হৈ যায় বুলি কোৱা যায়।

-০০০-

# পৰশুৰাম কুণ্ড সম্পৰ্কত লোক-কাহিনী

শদিয়াৰ পৰা প্ৰায় পঞ্চাশ মাইল পূৱে মহানদ ব্ৰহ্মপুত্ৰই ভৈয়ামলৈ নামি অহা পৰ্বতৰ শীতল গৰ্ভত এটা কুণ্ড অৱস্থিত। পৰ্বতৰ ভিতৰেদি কুহুমীয়া জলৰ পৱিত্ৰ ধাৰা এটি বৈ আহি কুণ্ডত পৰিছে যাক ব্ৰহ্মকুণ্ড বুলিও কোৱা হয়। জমদগ্নি ঋষিৰ পুত্ৰ পৰশুৰামে পিতৃৰ আদেশত তেওঁ নিজৰ মাতৃক হত্যা কৰে। এই মহাপাপত কুঠাৰখন হাতত লাগি ধৰিলে। হাতৰ কুঠাৰ সৰাই মাতৃবধ মহাপাপৰ পৰা মুক্তিলাভ পাবৰ নিমিত্তে দেশে দেশে অনেক তীৰ্থ ভ্ৰমণ কৰিলে যদিও উদ্ধাৰ নেপালে। কিন্তু অৱশেষত কুন্দিলৰ চাৰি দেউৰীপূজাৰীয়ে পৰশুৰামক প্ৰায়শ্চিত্ত কৰি এই কুণ্ডত স্নান কৰিববলৈ নিৰ্দেশ দিয়ে। সেইমতে তাত স্নান কৰিববলৈ ধৰাত হাতৰ কুঠাৰ সৰি পৰিল। তেতিয়াৰ পৰা সেই কুণ্ডৰ নাম হ'ল - পৰশুৰাম কুণ্ড বা সিদ্ধক্ষেত্ৰী। সৰ্ব ভাৰতীয় হিন্দুৰ পৱিত্ৰ তীৰ্থৰ বাবে দিক্কৰবাসিনী দেৱীৰ অধিকাৰ ভূমিত অৱস্থিত শীত-গংগা বা দিক্কৰ নদী (দিক্ৰংপানী বা দেওপানী) ত স্নান কৰি তাৰ দেৱ-দেৱীসকলক দৰ্শন নকৰাকৈ পৰশুৰাম কুণ্ডত স্নান কৰিব নেপায় বুলি জনপ্ৰবাদ আছে। তেতিয়াৰ পৰা বৰ্তমানলৈকে তাত পুণ্যাৰ্থে স্নান কৰিববলৈ দেশ-বিদেশৰ বহু তীৰ্থ যাত্ৰী সমাগম হয়।

অন্য এক প্ৰবাদৰ মতে কুন্দিলৰ চাৰি দেউৰী পূজাৰীয়ে পৰশুৰামৰ প্ৰায়শ্চিত্তৰ বাবে কুণ্ডত স্নান কৰাৰ আগতে দেওধনীৰ পৰামৰ্শ মতে পূজাৰীয়ে তংলতিৰে কোবোৱা শিলছটাৰ স্থানত হাতত লাগি ধৰা কুঠাৰেৰে তিনিবাৰ কাটিববলৈ লৈছিল। তেনেকৈয়ে তিনিবাৰ পৰশুৰামে শিলছটা কটাত পছলা ফলাদি ফালি গ'ল আৰু সেই ফালেদি উতলি থকা পানীখিনি 'য়াবৰ' তললৈ বৈ এটা ডাঙৰ কুণ্ডৰ সৃষ্টি কৰিলে। লগে লগে পৰশুৰামৰ হাতৰ কুঠাৰডালো সুলকি পৰিল। তেনেকৈয়ে পৰশুৰাম কুণ্ডৰ সৃষ্টি হ'ল।

-০০০-



# জমতিং ৰজাৰ সম্পৰ্কত লোক-কাহিনী

দেউৰী মানৱ গোষ্ঠীৰ উৎপত্তিৰ সম্পৰ্কত আন এক লোক-কাহিনী আছে। দেউৰীসকলৰ উৎপত্তি কাহিনী অনুসৰি তেওঁলোকে নিজক সূৰ্য আৰু চন্দ্ৰৰ যুগ্ম মিলনত সৃষ্টি হোৱা বুলি বিশ্বাস কৰে। সেয়েহে সূৰ্যবংশীয় বুলি কিছুলোকে বিশ্বাস কৰে। দেউৰীসকলৰ প্ৰবাদ মতে - সৃষ্টিৰ জনক মূলতে দৰমৰজা আৰু মিৰ্চামামা। দৰমৰজা হ'ল পৰম-পুৰুষ আৰু মিৰ্চামামা হ'ল পৰমা-প্ৰকৃতি। প্ৰথমে দৰমৰজা আৰু মিৰ্চামামাই 'পিচ্চ-চিৰে-চিৰেচি' অৰ্থাৎ স্বৰ্গখণ্ড আৰু 'কুম-চিৰে-চিৰেচি' অৰ্থাৎ পাতাল খণ্ড সৃষ্টি কৰিলে। যেতিয়া স্বৰ্গ খণ্ড আৰু পাতাল খণ্ড সৃষ্টি হ'ল তেতিয়া মিৰ্চামামাই পুৰুষাকাৰ আত্মাৰূপে থকা ভগবানক অৰ্থাৎ দৰমৰজাক মধ্য খণ্ড অৰ্থাৎ পৃথিৱীক সৃষ্টি কৰিববলৈ অনুৰোধ কৰিলে। মিৰ্চামামাৰ অনুৰোধ ৰক্ষা কৰি দৰম ৰজাই 'চচি-চিৰে-চিৰেচি' অৰ্থাৎ পৃথিৱীখণ্ড সৃষ্টি কৰাৰ কথা দিলে। কথা মতেই কাম। দৰমৰজাই পৃথিৱী খণ্ড সৃষ্টি কৰি জনালে যে ইতিমধ্যে তেওঁৰ মানস পটত পৃথিৱীখন সৃষ্টি হৈ গৈছে। তেতিয়া সৃষ্টি কৰ্তাই সিদ্ধান্ত কৰি 'দুচিঁয়া পাতিয়া' (কিছুমানৰ মতে 'দুতিমতিম') আৰু 'দুদি' (ম'ৰা) চৰাইক পৃথিৱীখণ্ড পৰিদৰ্শন কৰি সৃষ্টি কাৰ্যৰ সমাপনৰ নিশ্চয়তাৰ আজ্ঞা কৰিলে। সৃষ্টিকৰ্তাই তেওঁলোকক কিন্তু পৃথিৱীত একো বস্তু ভক্ষণ নকৰিববলৈ আজ্ঞা দিলে। চৰাইহালে সখি পাতি পৃথিৱীৰ সৃষ্টি কাৰ্য প্ৰত্যক্ষ কৰিববলৈ স্বৰ্গৰ পৰা নামি আহিল। পৃথিৱী ভ্ৰমণ কৰি সিহঁতে কোনো জেগাত জুলীয়া, কোনো কোনো ঠাইত মাটি আৰু কোনো কোনো ঠাইত শিলাস্তৰলৈ ৰূপান্তৰ হ'বলৈ আৰম্ভ কৰা শিলাসদৃশ অৱস্থা প্ৰত্যক্ষ কৰে। সেই পৰ্যন্ত পৃথিৱীত নিজাববীয়াকৈ কোনো প্ৰজাতিৰ উদ্ভিদ, প্ৰাণী আদিৰ সৃষ্টি নৌ হয়। ভোক আৰু পিয়াহত আতুৰ হৈ খাবলৈ নিবাৰণ কৰা সত্ত্বেও লোভ সামৰিব নোৱাৰি ম'ৰা চৰায়ে পৃথিৱীৰ মাটি আৰু শিলৰ টুকুৰা ভক্ষণ কৰিলে। ফলত ম'ৰা চৰায়ে গধুৰ হৈ স্বৰ্গ খণ্ডলৈ পুনৰ উৰা

মাৰিব নোৱাৰি পৃথিৱীখণ্ডতে থাকি যায়। 'দুৰ্টিয়াপাতিয়া' চৰায়ে পুনৰ স্বৰ্গলৈ উৰি গৈ দৰমৰজা আৰু মিৰ্চামামাক পৃথিৱীৰ সৃষ্টিৰ বিৱৰণ দিলেগৈ লগতে ম'ৰা চৰাইৰ বতৰাটোকো জনাবলৈ নাপাহৰিলে। পৃথিৱীৰ বিৱৰণ পাই দৰমৰজা আৰু মিৰ্চামামায়ে পৃথিৱীলৈ নামিবলৈ মনস্থ কৰিলে। স্বৰ্গখণ্ডৰ পৰা নামিবৰ বাবে তেওঁলোকে প্ৰথমে বোলে বাঁহৰ জখলা পাৰিলে যদিও সেয়া ঢুকি নোপোৱাত কাঠৰ জখলা পাৰিলে। তাৰেও কামত নহাত ৰূপৰ জখলা পাৰিলে। ৰূপৰ জখলাৰেও কাম সিদ্ধি নোহোৱাত সোণৰ জখলা আৰু লগতে ৰূপৰ হেতামাৰি পাৰি পৃথিৱী খণ্ডলৈ নমাৰ চেষ্টা চলালে। কিন্তু তাতো বিফল হ'ল। সকলো চেষ্টা বিফল হোৱাত অৱশেষত জমতিং ৰজা অৰ্থাৎ মকৰা ৰজাৰ সহায় বিছাৰিলে। জমতিং ৰজাই তেওঁলোকক পৃথিৱীখণ্ডলৈ নামি অহা কাৰ্যত সহায় কৰিলে। সহায়ৰ বিনিময়ত তেওঁক সোণ আৰু ৰূপৰ টেমা দিয়া হ'ব বুলি প্ৰতিশ্ৰুতি দিলে। তেনে সহায় বিছৰাৰ বাবেই জমতিং ৰজায়ে বোলে তেওঁৰ এঠাল সুতাৰে স্বৰ্গ খণ্ডৰ পৰা পৃথিৱী খণ্ডলৈ নামিব পৰাকৈ সুবিধা কৰি দিলে। তেনে জখলাৰেই দৰমৰজা আৰু মিৰ্চামামায়ে স্বৰ্গ খণ্ডৰ পৰা নামি আহি পৃথিৱীত পদাৰ্পণ কৰিলে।

দৰমৰজা আৰু মিৰ্চামামায়ে স্বৰ্গৰ পৰা নামি অহা সময়ত বোলে লগত জীৱ জন্তু লৈ অহা নাছিল। আনিছিল কেৱল কেইবিধমান উদ্ভিদহে। তাকো আনিছিল সিবিলাকে পৃথিৱীলৈ আহি সৃষ্টিকৰ্তাজনক সেৱা কৰিম বুলি আগ্ৰহ প্ৰকাশ কৰি কাকুতি-মিনতি কৰাৰ বাবেহে। সেই উদ্ভিদ বিলাকৰ ভিতৰত চমু (মেগেলা), চকাৰি (খাগৰি), চাগিৰিচ্চা (কৌপাত), মিকাচ্চি (মেজাকি / মেজাঙি), মেজেঙা (এবিধ বনৰীয়া শাক), কিমাৰু (তংলতি) আদিয়েই প্ৰধান আছিল। চমু-চকাৰি (মেগেলা-খাগৰি) য়ে সৃষ্টিকৰ্তাৰ ছত্ৰ হ'ম বুলি প্ৰতিশ্ৰুতি দিয়ে। সেইদৰে চাগিৰিচ্চা (কৌপাত) য়ে তলিচা হ'ম বুলি, মিকাচ্চি-মেজেঙায়ে জুবুৰা কাজি অৰ্থাৎ শাক জাতীয় খাদ্য হ'ম বুলি আৰু কিমাৰু (তংলতি) য়ে পূজাৰ পৱিত্ৰ ফুল হ'ম বুলি গাইগুটীয়াকৈ প্ৰতিশ্ৰুতি প্ৰদান কৰাৰ বাবেহে দৰমৰজা আৰু মিৰ্চামামায়ে পৃথিৱী খণ্ডলৈ সিবিলাকক লগত লৈ আহিছিল। দৰমৰজা আৰু মিৰ্চামামায়ে পৃথিৱীলৈ অহাৰ পিছতহে নানা ধৰণৰ জীৱ-জন্তু সৃষ্টি কৰিলে। সেই



দৰমৰজা আৰু মিৰ্চামামাৰ উলিপুলি (সতি-সন্ততি) য়েই দেউৰী লোকসকল। জীৱ-জন্তু সৃষ্টি কৰাৰ পিছত ঋতু বা বতৰৰ কথা আহিল। অৰ্থাৎ কেৱল গৰম ঋতুত জীৱ-জন্তু, উদ্ভিদ আদিয়ে জীয়াই থাকিবলৈ টান পোৱাৰ দৰে কেৱল ঠাণ্ডা ঋতুতো সিবিলাকে জীয়াই থাকিবলৈ অসুবিধা পায় দেখি জুৰঁ আচ্চু (গৰম ঋতু) আৰু কেমা আচ্চু (ঠাণ্ডা ঋতু) সৃষ্টি কৰিলে। ইয়াৰ পিছত বিভিন্ন বিধৰ কেপে (কপাহ) যেনে - কেপে-মেজাৰি (সৰুবিধ কপাহ), কেপে-গেৰেলা (ডাঙৰ বিধ কপাহ) সৃষ্টি কৰিলে। তাৰ লগে লগে যঁতৰ আৰু নেওঠনী সৃষ্টি কৰিলে। সেই যঁতৰ আৰু নেওঠনীতেই পৰমা মাতৃ মিৰ্চামামায়ে ঠাণ্ডা ঋতু কালত কপাহ নেওঠি লৈ সুতাকাটি তেনে সুতাৰে মেখেলা, চেলেং আদি ববলৈ ধৰিলে। সেইবোৰ কাপোৰ পিন্ধিয়েই বোলে মিৰ্চামামায়ে ৰাতি বিহু কৰিবলৈ গৈছিল বুলি প্ৰবাদ পোৱা যায়।

-০০০-

# গোসাঁনীয়ে পতা বৰদেউৰীকলৈ লোক-কাহিনী

আদিকালত বৰভঁড়ালীয়েই হেনো দেওশালৰ প্ৰধান পূজাৰী আছিল। পিছৰ কালত এটা ঘটনাৰ বাবে বৰভঁড়ালীৰ ওপৰত বোলে গোসাঁনী বিতুষ্ট হৈ বৰদেউৰীক প্ৰধান পূজাৰী পাতিলে। এই সম্পৰ্কত এটা লোক-কাহিনী আছে। লোক-কাহিনীটি এনে—

পূৰ্বতে বৰভঁড়ালী আৰু বৰদেউৰী বাবত থকা পূজাৰী দুজন সমন্ধত ককাই-ভাই আছিল। এদিন দুয়ো লগলাগি দিবাং নৈত নাৱত উঠি খেৱালি জালেৰে মাছ ধৰিবলৈ গৈছিল। খেও মাৰি মাছ ধৰি থাকোতে এটা সময়ত হঠাতে বোলে জালখন পানীৰ তলত কিহবাত লাগি ধৰিলে। বহু সময় দুয়ো চেষ্টা কৰিও কোনোমতে জালখন ওপৰলৈ টানি তুলিব পৰা নগ'ল। উপায়ন্তৰ হৈ অৱশেষত পানীত বুৰমাৰি জালখন এৰুৱাবলৈ বুলি বৰভঁড়ালীয়ে পানীত নামিল। বহু যত্ন কৰিও বৰভঁড়ালীয়ে জালখন এৰুৱাব নোৱাৰি তেওঁ পুনৰ নাৱত উঠিল। তাকে দেখি নাৱৰ গুৰীয়ালৰ দায়িত্বত থকা বৰদেউৰীয়ে এবাৰ নিজেও চেষ্টা কৰি চোৱাৰ কথা ক'লে। সেয়েহে তেওঁ নাৱৰ পৰা পানীত নামিব খোজোতেই বৰভঁড়ালীয়ে ক'লে - "বোলো জালখন ক'তো লগা নাই। বাইদেৱে ধৰি ৰাখিছে। নাওঠীয়ে নৰমনিচক পানীৰ পিপৰা এটা ধৰি খোৱাত হিংসা কৰিছে! জালখন এৰি নিদিয়ে।" বৰভঁড়ালীৰ এইষাৰ কথা শুনি বৰদেউৰীয়ে বিস্ময় প্ৰকাশ কৰি "মহামায়া আই ভগৱতী, দুৰ্গতিনাশিনী - আমাৰ জালখন এৰি দিয়া" বুলি কৈ পানীত বুৰ মাৰিলে। অলপ পৰৰ পাচত জালেৰে সৈতে গোসাঁনীক পানীৰ পৰা কোলাত তুলি বামলৈ লৈ আহিল। তেতিয়া গোসাঁনীয়ে সুপ্ৰসন্ন হৈ বৰদেউৰীক বৰদান দি ক'লে - "বোপা, মোক আই বুলি সম্বোধিলা যেতিয়া মোৰ বৰপো হলা। আজিৰ পৰা মই তোমাৰ হাতেৰেহে পূজা খাম আৰু তুমি ওপৰ হলা। এতিয়াৰ পৰা ডিঙিৰ লগুণ গুচিব। মোৰ দৰে মূৰত দীঘল চুলি ৰাখিবা। সেয়ে পৰম আয়ুস হব। বৰভঁড়ালীয়ে দেৱীক মাতৃৰূপে



জ্ঞান নকৰি মোক ভৎৰ্সনাহে কৰিলে। আজিৰ পৰা সি মোৰ আ-অলঙ্কাৰ, ফুলজালি, কাপোৰ-কানি আদি ধুব আৰু দা-ধৰোৱা, বাৰ্তাবাহক (দেওধ্বনী) ৰ লগতে ঘোঁৰা (বাহন) হব। আজিৰ পৰা তোমালোকৰ দুয়োজনৰ ককাই-ভাই সম্বন্ধও গুচি মোমাই-ভাগিন হলা আৰু মোমায়েকৰ জীয়েককহে পানি গ্ৰহণ কৰিব পাৰিবা। দুয়ো দুফৈদ হ'লা।" এনেকৈ কৈ গোপনীয় মন্ত্ৰাদি শিকাই দি মহামায়া অন্তৰ্দ্ধান হ'ল। তেতিয়াৰ পৰাই বোলে বৰভঁড়ালীৰ পৰিবৰ্তে বৰদেউৰীয়েই প্ৰধান পূজাৰী হ'ল। সেইদিন ধৰি আজিকোপতি দেউৰী পূজাৰীসকলে লগুণ এৰি দীঘল চুলি ৰাখিবলৈ ধৰিলে আৰু বিবাহৰ ক্ষেত্ৰত মোমায়েক সম্বন্ধীয় লোকৰ জীয়েকৰ লগহে বিয়-বাৰু প্ৰচলন হ'বলৈ ধৰিলে। আনহাতে, পূজাৰীয়ে তেনেকৈ তেতিয়াৰপৰাই যি কোনো জালেৰে মাছ ধৰিব নেপায় বুলি প্ৰবাদ গা কৰি উঠিল।

-০০০-

# টেঙাপানী নামৰ সৃষ্টিৰ লোক-কাহিনী

(ক)

চুকাফাৰ নেতৃত্বত ত্ৰয়োদশ শতিকাত আহোমসকলে প্ৰাচীন অসমত পাটকাই গিৰিমালাইদি প্ৰৱেশ কৰিছিল। তেতিয়া আহোম সকলে পাটকাই পৰ্বতৰ পাদদেশত দেউৰী সকলক বসবাস কৰি থকা দেখিছিল। আহোমসকলে তেতিয়া দেউৰীসকলক 'তিউৰা' বা 'দিউৰা' বুলি অভিহিত কৰিছিল। দেউৰীসকলেও তেতিয়া উক্ত টাই-শ্বানৰ দলটিক বোলে 'আহুঁমা' বুলি নামকৰণ কৰিছিল। চুকাফাৰ নেতৃত্বৰ এই দলটি খোজেৰে আগবাঢ়ি আহি পাটকাইৰ উত্তৰাঞ্চলৰ জয়দাম (দয়দাম), মিদ্যুমানত উপনীত হলত ভোক-পিয়াহ আৰু ভাগৰত জৰ্জৰিত হৈ জিৰাবলৈ বাধ্য হ'ল। অতিমাত্ৰা পিয়াহ লগাৰ বাবে দলটিয়ে উপায়ন্তৰ হৈ উক্ত অঞ্চলৰ অধিবাসী দেউৰীসকলৰ পৰা মিদ্যু নদীৰ পানী খাবলৈ বুলি অনুমতি বিচাৰে। কিন্তু উক্ত অঞ্চলৰ অধিবাসী দেউৰী সকলে 'আহুঁমা'ৰ দলটি সহজে লব পৰা নাছিল। তেওঁলোকে সন্দেহ প্ৰকাশ কৰিছিল যে, যদিহে প্ৰব্ৰজনকাৰী দলটিয়ে বসবাসৰ উপযোগী পৰিবেশ পায় বা সু-স্বাদু পানী থাওকতে পায় তেন্তে তেওঁলোকে নিগাজীকৈ থাকিবলৈ ইচ্ছা কৰিব। (কথিত আছিল যে উক্ত মিদ্যু নদীৰ পানী বোলে বৰ সোৱাদ আছিল)। নিগাজীকৈ বসবাস কৰা মানেই দেউৰী সকলৰ বাবে অসুবিধা হ'ব বুলি তেওঁলোকে ভাৱিছিল। অন্যহাতে পিয়াহত বা অনাহাৰত থকা মানুহক ভাত-পানী নিদি অনাহাৰে ৰখাটো তেওঁলোকে সহ্য কৰিব নোৱাৰিলে। সেয়েহে বিবুদ্ধিত পৰি দেউৰী পূজাৰীবৃন্দই চুকাফাৰ দলটি মিদ্যু নদীৰ পানী খাবলৈ অনুমতি দিলে যদিও তন্ত্ৰ-মন্ত্ৰৰ বলত মিদ্যু নদীৰ পানী তৎমুহূৰ্ত্ততে টেঙা কৰি পেলালে। পানী খাবলৈ অনুমতি লাভ কৰি চুকাফাৰ দলটি বোলে নদীলৈ জাকে জাকে নামি পানী খাবলৈ ধৰিলে। পানীৰ সোৱাদ টেঙা পাই তেওঁলোকে পানী খাবলৈ এৰি তৎক্ষণাত উক্ত অঞ্চল পৰিত্যাগ কৰিলে। সেই অঞ্চলৰ পৰা তেওঁলোকে বোলে পশ্চিম মুৱাহে ভটিয়াই সদলবলে গুছি গ'ল। যাওঁতে তেওঁলোকে বোলে 'নামচুম' 'নামচুম' অৰ্থাৎ টেঙা পানী বুলি ভোৰ-ভোৰাই গলগৈ। (উল্লেখযোগ্য যে টাই-শ্বান ভাষাত 'নাম' মানে পানী আৰু 'চুম' মানে টেঙা) তেতিয়াৰ পৰাই কালক্ৰমত মিদ্যু নদীৰ নাম টেঙাপানী হ'ল।



(খ)

আন এক প্ৰবাদ অনুসৰি টেঙাপানী নদীৰ নাম হোৱাৰ লোক-কাহিনী এনেদৰে পোৱা যায়।

এসময়ত জয়দাম (দয়দাম) পাহাৰত দেউৰীসকলে অতি অনাড়ম্বৰে গাঁও-ভুঁই পাতি দেৱ-দেৱীক পূজা-পাটল দি বসবাস কৰি আছিল। জয়দাম পাহাৰৰ দাঁতিয়েদি এখন নৈ বৈ গৈছিল। যাৰ নাম বৰ্তমান টেঙাপানী নদী বুলি জনাজাত। প্ৰবাদ আছে যে এই নদীৰ পাৰত বাস কৰি থকা দেউৰীসকলৰ বিশেষকৈ পূজাৰী শ্ৰেণীৰ অপৰিসীম ঐশ্বৰীক শক্তিৰ অধিকাৰী আছিল। পিছলৈ ইয়াৰ আশে-পাশে বাস কৰিবলৈ লোৱা অন্যান্য জনগোষ্ঠী বিশেষকৈ খামটি, চিংফৌ আৰু মিচিমি সকলে দেউৰীসকলৰ এই অলৌকিক শক্তিৰ উমান পাইছিল যদিও সম্পূৰ্ণ বিশ্বাসত ল'ব পৰা নাছিল। মুঠৰ ওপৰত তেওঁলোকে শুনিছিল বোলে জয়দামত দেউৰীসকলক দেখিলে পাগল দঁতাল হাতীও শান্ত হৈ যায়। এনে অলৌকিক শক্তিৰ সত্যাসত্য প্ৰমাণ চাবলৈ উক্ত জনগোষ্ঠী সমূহে বহুদিনৰ পৰা উৎসাহ প্ৰকাশ কৰি আছিল। তাৰ ফল স্বৰূপেই দেউৰী পূজাৰীৰ মাহাত্ম্যৰ প্ৰমাণ চাবলৈ উক্ত নদীখনৰ পানীখিনিকে টেঙা কৰি দেখুৱাব লাগে বুলি বাজি মাৰিলে। তেতিয়া দেউৰী পূজাৰীয়ে পানী, ফুল (তংলতি) হাতত লৈ মন্ত্ৰ মাতিবলৈ লাগি গ'ল। সমূহ উপস্থিত গঞাই কৌতুহলেৰে পৰিণতিৰ বাবে বাট চাই ৰ'ল। মন্ত্ৰ মাতি শেষ হোৱাৰ পিচত বোলে পূজাৰীয়ে উক্ত মন্ত্ৰপুত পানী ও ফুল (তংলতি) নদীত পেলাই দিলে। তৎমুহূৰ্ত্ততে নদীৰ পানীবোৰৰ সোৱাদ বোলে টেঙা হৈ পৰিল। তেতিয়াৰ পৰাই উক্ত নদীখনৰ নাম টেঙাপানী হ'ল। সেইদিন ধৰি সকলো উপস্থিত গঞা-গোষ্ঠীয়ে দেউৰী পূজাৰীৰ পূজা সেৱাত কিবা অলৌকিক শক্তি আছে বুলি পতিয়ণ গ'ল।

-০০০-

# কাকডোঙা আৰু কাকজান নদীৰ নামৰ উৎপত্তিত লোক-কাহিনী

তুংখুঙীয়া ফৈদৰ গোবৰ গোহাঁইৰ পুত্ৰ গদাধৰ সিংহই লালুক সোলাৰ ভয়ত নগা পাহাৰলৈ পলাই গ'ল। তাৰপিছত গদাধৰ সিংহৰ পত্নী জয়মতীক স্বামীৰ বিষয়ে সোধাত তাইৰ পৰা কোনো সম্ভেদ নাপালে। সেয়েহে লালুকসোলাৰ পৰামৰ্শ মতে ল'ৰাৰজাই জয়মতীক শাস্তি দিবলৈ আজ্ঞা কৰিলে। চাউদাঙে জয়মতীক জেৰেঙা পথাৰত দিনে-ৰাতিয়ে অবৰ্ণনীয় শাস্তি দিয়া শুনি গধাধৰ সিংহই নগা পাহাৰৰ পৰা নগাৰ ভেশচন ধৰি আহি পত্নীক তেওঁৰ কথা কৈ দিবলৈ ইংগিত দিলে। কিন্তু কোনো ফল নধৰাত গদাধৰ সিংহই দুখে-বেজাৰে পুনৰ নগা পাহাৰলৈ নগৈ টেঙাপানী নদীৰ পাৰত থকা জয়দাম পাহাৰলৈ গ'ল। তেওঁ তাতে বসবাস কৰি থকা দেউৰীসকলৰ মাজত আশ্ৰয় লৈ তেওঁলোকৰ লগত কপাহ খেতিত লাগিল। সেয়ে আজিও জয়দাম পাহাৰত বোলে গদাধৰ সিংহ কপাহতলি বুলি এডোখৰ ঠাই আছে। এদিন পাহাৰত গদাধৰ সিংহই ঘূৰি ফুৰোঁতে কুন্দিল নদীৰ পাৰ পাইছিলগৈ আৰু তাতে তেওঁ অকস্মাতে ল'ৰা ৰজাৰ সৈন্যসকলক তেওঁৰ অনুসন্ধানত ঘূৰি ফুৰা দেখিলে। সেয়েহে তেওঁ এটা প্ৰকাণ্ড শিলৰ গুহাত তৎক্ষণাত লুকাল। তেওঁ গুহাৰ ভিতৰত সোমোৱা মাত্ৰকতে অসংখ্য মকৰাই বোলে গুহাৰ মুখখনত পলকতে জাল বান্ধি পেলালে। কিছুসময় পিছত ল'ৰা ৰজাৰ সৈন্যবোৰে ওচৰে-পাঁজৰে নিৰীক্ষণ কৰি উক্ত গুহাটোলৈ আগবাঢ়ি গ'ল। তাত মকৰা জাল চাটি থকা দেখি তাত নোচোৱাই ভাল বুলি বোলে এৰি গুচি গ'ল। সৈন্যবোৰে গুচি যোৱাৰ পিছতে গদাধৰ সিংহই গুহাৰ ভিতৰতে এৰাতি কটালে। পিছদিনাখন গুহাৰ পৰা ওলাই আহি কুন্দিল নদীৰ পাৰত থিয় হ'ল। তেওঁ কুন্দিল নদীৰ পৰিস্কাৰ পানীত ডাঙৰ ডাঙৰ মাছ দেখিলে। তেওঁ যোৱা দিন ধৰি একো আহাৰ - খাবলৈ নোপোৱাৰ বাবে ভোকত তৎনোপোৱা হৈছিল। কুন্দিল নদীৰ পানীত থকা মাছ দেখি সেয়েহে তেওঁৰ মাছ খিনি ধৰি পুৰি খাবৰ মন গ'ল। মাছ ধৰাৰ উপায় চিন্তা কৰি বুদ্ধি এটা উলিয়ালে। তেওঁ ওপৰৰ পৰা শিল বগৰাই নদীৰ মুখখন বন্ধ কৰি ললে আৰু পানী শুকাই যোৱাত মাছবোৰ ধৰিবলৈ ধৰিলে। তেনেকৈয়ে তেওঁ মাছ ধৰাত ব্যস্ত হ'ল আৰু ধৰা মাছবোৰ এটা নিৰ্দিষ্ট ঠাইত দ'মাই গ'ল। দ্বিতীয়বাৰ ধৰা মাছ থবলৈ যাওঁতে দেখিলে দ'মাই থোৱা মাছবোৰৰ মূৰ বিলাকৰ বাহিৰে পিছফালৰ অংশবোৰ নাই। ইফালে সিফালে চকু ফুৰাই গদাধৰ সিংহই কাকো দেখা নাপালে। হঠাতে পিছ ফাললৈ তেওঁ চাই দেখিলে - এজনী মাইকী মানুহে পিঠিত কেচুৱা এটা লৈ লাহে লাহে আঁতৰি গৈছে। গদাধৰ সিংহৰ গা চিৰিং কৰি উঠিল। তেওঁ তৎক্ষণাত এটা শিল হাতত তুলি লৈ মানুহজনীৰ গালৈ দলিয়াই দিলে। শিল গৈ পিঠিৰ কেচুৱাটোৰ ডিঙিত লাগিলত ডিঙিটো নিমিষতে চিঙি পৰিল। তেনে ঘটনা ঘটাত মানুহজনীয়ে পিছফাললৈ ঘূৰি চাই ক'লে - "গদাধৰ এয়া তুমি কি কৰিলা? যি কৰিলা কৰিলা প্ৰথমতে তুমি কেচুৱাটিৰ চিঙি যোৱা মূৰটো লগাই দিয়াচোন। তোমাৰ লগত মোৰ বহুত কথা আছে।" গদাধৰে বিবুদ্ধিত পৰি কেচুৱাটোৰ মাথাটো লগাই দিলে আৰু তৎমুহুৰ্ততে কেচুৱাটো বোলে প্ৰাণ পাই উঠিল। তেতিয়া গদাধৰৰ গালৈ ছচ্ আহিল যে সেয়া কোনোবা গোসাঁনী বা দেৱীহে, ৰাক্ষসী নহয়। গদাধৰৰ মনৰ ভাব বুজি পাই তাই দেউৰীসকলৰ দ্বাৰা পূজিত গোসাঁনী বুলি নিজকে চিনাকি দিলে। আৰু ক'লে - "তোমাক মই বহুদিনৰ পৰা লগ পাবলৈ ছেগ চাই আছিলো। আজিহে সুবিধা পালো।" লগতে গোসাঁনীয়ে আজ্ঞা কৰি ক'লে যে গদাধৰক বন্দৰ বৰফুকনে গুৱাহাটীত বাট চাই আছে। এই মুহূৰ্ততে গদাধৰে গুৱাহাটীলৈ যোৱা উচিত আৰু তালৈ গলেই ৰাজসিংহাসন পাব পাৰিব। চিৰদিন তেওঁৰ ওচৰতে থকাৰ প্ৰতিশ্ৰুতি দি গোসাঁনীয়ে লগতে গদাধৰ সিংহক কুন্দিল নদীৰ পৰা গোসাঁনীৰ নামত কাক বাহঁৰ চুঙাত দুচুঙা পানী লৈ নগা পাহাৰৰ দাঁতিয়েদি গুৱাহাটীলৈ যাবলৈ আজ্ঞা কৰিলে। গোসাঁনীৰ আজ্ঞাত গদাধৰে সন্তোষ্ট হৈ এটি সেৱা জনোৱাৰ লগে লগে গোসাঁনী অন্তৰ্ধান হ'ল। কিছু সময়ৰ পিছতে গদাধৰে গোসাঁনীৰ আজ্ঞানুসৰি কাক বাহঁৰ দুটা চুঙা কাটি গোসাঁনীৰ নামত কুন্দিলৰ পানী দুচুঙা ভৰাই ল'লে আৰু পিঠিত বান্ধি নগা পাহাৰৰ দাঁতিয়েদি গুৱাহাটীলৈ বুলি ৰাওনা হ'ল। দিনটো

খোজকাঢ়ি যোৱাৰ ফলত তেওঁৰ ভাগৰ লগাত এজোপা প্ৰকাণ্ড ঔটেঙা গছৰ তলত অলপ ৰ'লহি। পানী দুচুঙা ঔটেঙা জোপাৰ গা-গছত আওঁজাই ক্ষন্তেক জিৰাওঁতেই তেওঁৰ টোপনি আহিল। টোপনি যোৱা দেখি গোসাঁনীয়ে ভাবিলে যে এনেকৈ টোপনিয়াই থাকিলে গদাধৰ কেতিয়াও গুৱাহাটী নাপাবগৈ। সেয়েহে গোসাঁনীয়ে ঔটেঙা গছৰ ওপৰৰ পৰা ঔটেঙা এটা গদাধৰৰ গাত পেলাই দিলে। তৎক্ষণাত গদাধৰে সাৰ পাই উঠি গছজোপাৰ ওপৰলৈ চাই দেখিলে যে গছৰ ওপৰত গোসাঁনী। দেখাপাই ভাবিলে যে তেওঁ যদি গোসাঁনীক লগত অনবৰত লৈ থাকে তেন্তে তেওঁৰ বহুত কিবাকিবি অসুবিধা হ'ব। সেয়েহে গদাধৰে গোসাঁনীক স্মৰণ কৰি ক'লে -"মই যদি ৰজা হওঁ বছৰেকত এটা নৰবলি আপোনাক দিম।" এই বুলি অংগীকাৰ কৰি গদাধৰে লগত থকা পানী দুচুঙা ওচৰতে পেলাই দিলে। পেলাই দিয়া মাত্ৰকতে পানীখিনি বোলে উতলিবলৈ ধৰিলে আৰু ক্ৰমান্বয়ে উক্ত ঠাইখিনি এক প্ৰকাণ্ড পুখুৰীত পৰিণত হ'ল। লগে লগে পুখুৰীৰ পানীখিনি টৌৰ দৰে উঠলি আকাশলৈ উঠি সজোৰে পুনৰ তললৈ পৰি আহিল আৰু পলকতে এটা বোঁৱতী নদী হৈ পৰিল। সেই নদীখনৰ নামেই হ'ল কাকডোঙা নদী। এই নদীখনৰ সৰহভাগ হ'ল কাকডোঙা আৰু গোলাঘাট, যোৰহাটৰ ওপৰত ওলোৱা, সেই একেখন নদীৰ নামেই আকৌ কাকজান্। অৰ্থাৎ কাকবাহঁৰ চুঙাৰ পানীৰ পৰা সৃষ্টি হোৱা বাবেই এনে নাম পালে।

-০০০-



# তাম্ৰেশ্বৰী মন্দিৰ নিৰ্ম্মাণ সম্পৰ্কত লোক-কাহিনী

তাম্ৰেশ্বৰী মন্দিৰ নিৰ্ম্মাণ সম্পৰ্কত দেউৰীসকলৰ মাজত এটি লোক-কাহিনী প্ৰচলিত হৈ অহা পোৱা যায়। কাহিনীটো এনেধৰণৰ -

কুন্দিলৰাজ্য ভাগ-বতৰা নামৰ লোক-কাহিনীত আছে যে, গিৰা-গিৰাচি (বুঢ়া-বুঢ়ী) য়ে পিচাদেমা (বৰপুত্ৰ) ক মনপুত ৰাজ্য খনৰ ভাগ দিব খুজিছিল। কিন্তু বৰজীয়েকে (পিচাচিদেমা) ছলনা কৰি সেই ৰাজ্যৰ ভাগ হস্তগত কৰি তাত একাধিপত্য বিস্তাৰ কৰিলে। তাৰপিছত তেওঁ নিজৰ ৰাজ্যত তামৰ দেৱালয় নিৰ্ম্মাণৰ ব্যৱস্থা কৰে। উক্ত সময়ত তেওঁ হেনো নাৰীৰূপ ধৰি ভক্তসকলক দেখা দিছিল। এদিন তেওঁ সমীপৱৰ্তী বিদৰ্ভ ৰাজ্যৰ পুৰাহু-ছুটান নামেৰে এজন প্ৰখ্যাত ৰজাক দেখা দি পৰীক্ষাৰ সন্মুখীন কৰিলে। যদি ৰজাই একেৰাতিৰ ভিতৰতে প্ৰথম কুকুৰা ডাকৰ আগতে তেওঁৰ অৰ্থে তামৰ ছাল দি শিলৰ দেৱালয় এটা আৰু খট্‌খটীৰে পকা ঘাট এটা নিৰ্ম্মাণ কৰি দিব পাৰে তেন্তে তেওঁ ৰজাক ভজিব। নহলে ৰজাই ওলোটাকৈ তেওঁক ভজিব লাগিব। ৰজা পুৰাহু-ছুটান প্ৰথমতে উক্ত প্ৰস্তাৱত সন্মতি প্ৰদান কৰা নাছিল। পিছে, পুৰুষক স্ত্ৰীয়ে ভজিব নে স্ত্ৰীক পুৰুষে ভজিব? ই কেৱল ব্যক্তিগত প্ৰশ্নই নহয়, সমগ্ৰ জগতৰ সমস্ত পুৰুষৰ মৰ্যাদা অপহৰণৰ প্ৰশ্ন। গতিকে পুৰুষ জাতিৰ গৌৰৱ অখুন্ন ৰাখিবৰ বাবেই তেওঁ এনে জটিল প্ৰশ্নৰ সমাধানাৰ্থে প্ৰস্তাৱত অগত্যা সন্মতি জনালে। তেওঁ মনে মনে দৃঢ় প্ৰতিজ্ঞ হ'ল যে পিচাচিদেমা (তাম্ৰেশ্বৰী) ক ভজাবই লাগিব। সেয়েহে তেওঁৰ নিৰ্দেশ মতে ৰজাই দেৱালয় নিৰ্ম্মাণ কাৰ্যত প্ৰবল উৎসাহেৰে লাগিবলৈ ধৰিলে। ৰাতি নৌ পুৱাওঁতেই নিৰ্মাণ কাৰ্য শেষ হওঁ হওঁ হ'ল। এনেতে গোসাঁনীয়ে দেখিলে যে, দেৱালয়ৰ নিৰ্ম্মাণ কাৰ্য সম্পূৰ্ণ হোৱাৰ পথত। কেৱল দুৱাৰখন বনাবলৈ বাকী। কিন্তু ৰজা হলেও আদ্য শক্তিৰ ওচৰত হাৰ মানিবই লাগিব। কথা বিষমযেন দেখি গোসাঁনীয়ে মায়া কুকুৰা এটা ততালিকে সৃষ্টি কৰি ডাক দিয়ালে। কুকুৰাৰ ডাক শুনি গোসাঁনীয়ে

ৰজাক ক'লে - "ৰাতিপুৱাল। কুকুৰাই ডাক দিলে। এতিয়াও দেৱালয় সজা কাম সম্পূৰ্ণ হৈ নুঠিল।" কথা শুনি ৰজা বৰ বিমোৰত পৰিল। তেতিয়া তেওঁ দেৱালয় সাজিবলৈ এৰি দিলে। পূৰ্বৰ সংকল্প অনুসৰি ৰজাই নিৰ্বিবাদে গোসাঁনী অৰ্থাৎ পিচাচিদেমাক ভজিব লগাত পৰিল। তেতিয়াৰ পৰা তেওঁ বোলে দেৱী পদবাচ্য আৰু চিৰ আৰাধ্যা হ'ল। দেৱালয়ৰ দুৱাৰখনি অসম্পূৰ্ণ হৈ ৰোৱাৰ বাবেই বোলে উক্ত দেৱী গোসাঁনীৰ পূজা-অৰ্চনাৰ সময়ত দেৱালয়ৰ দুৱাৰ সদায় উন্মুক্ত ৰখাৰ দস্তুৰ হ'ল বুলি কথিত আছে।

-০০০-



# তাম্ৰেশ্বৰী মন্দিৰত পূজা-সেৱা লুপ্ত হোৱাৰ লোক-কাহিনী

তাম্ৰেশ্বৰী মন্দিৰত পূজা-সেৱা কিয় আৰু কেনেকৈ লুপ্ত হ'বলৈ পালে তাৰ আঁৰত এটা মনোৰম লোক-কাহিনী দেউৰী লোক-সমাজত বিদ্যমান। লোক-কাহিনীটো এনেধৰণৰ -

দেউৰী পূজাৰীসকলৰ অনেক আপত্তি আৰু বাধা নেমানি বাদানুবাদৰ মাজতেই ব্ৰাহ্মণ কেইজনমানে বোলে বলেৰে তাম্ৰেশ্বৰী মন্দিৰত কেচাঁইখাতী গোসাঁনীক পূজা কৰিবলৈ স্থিৰ কৰিলে। সেইমতে তেওঁলোকে দেউৰী পূজাৰী সকলৰ লগে লগে মন্দিৰলৈ বুলি যাত্ৰা কৰিলে। মন্দিৰত উপস্থিত হৈ দেউৰী পূজাৰী সকলে তেওঁলোকৰ বিধিমতে পূজা-মন্ত্ৰ আৰম্ভ কৰিলে। তেওঁবিলাকে দ্বিতীয় প্ৰসঙ্গ পূজা শেষ কৰাৰ পাছত ব্ৰাহ্মণ সকলেও সাদুৰাত দেৱীৰ মাহাত্ম্যযুক্ত চণ্ডীপাঠ কৰি কেচাঁইখাতী পূজা কৰিবলৈ ধৰিলে। ব্ৰাহ্মণ সকলৰ এনে কাৰ্যই তাম্ৰেশ্বৰী মন্দিৰৰ ধ্বংস সাধন কৰিব বুলি কোনেও কল্পনাই কৰিব পৰা নাছিল। যি কথা মানুহে আগমুহূৰ্ত্তত নেভাৱে, পাছত হয়তো সেয়ে ঘটে। তেওঁবিলাকৰো শেষত সেয়ে হ'ল। অৰ্থাৎ বৰভঁড়ালীজনৰ গাত গোসাঁনী লম্ভিল। তেওঁ পলকতে হাতত বলি কটা দাখন লৈ ব্ৰাহ্মণ সকলক খাওঁ খাওঁ বুলি খঙত খেদি গ'ল। তেনেতে মন্দিৰৰ সন্মুখত সাদুৰাৰ চন্দন কাঠৰ ফুল-চতি ডাল ভয়ঙ্কৰ শব্দ কৰি মাজতে দুডোখৰ হৈ ভাগি পৰিল। দেওধ্বনীৰ তৰ্জন-গৰ্জন পূৰ্ণ উগ্ৰমূৰ্ত্তি আৰু মন্দিৰৰ অদ্ভুত দৃশ্য দেখি সকলোৱে ভয়ত কঁপিবলৈ ধৰিলে। ভাগ্যৰ বলতহে ব্ৰাহ্মণ সকল কথমপি ৰক্ষা পৰিল। তেওঁলোক ভয়ে ভয়ে তাৰপৰা পলাই পত্ৰং দি সাৰিল। ইফালে দেউৰী পূজাৰীসকল বৰ বিমোৰত পৰিল। তেওঁলোকৰ চকুৰ আগত আচম্বিতে কি অথন্তৰ ঘটিল! কি কৰা যায় এতিয়া! পূজাৰীকেইজনে দেৱী গোসাঁনীক তুতি-মিনতি কৰিবলৈ ধৰিলে। তেতিয়া দেৱীয়ে নিজেই দেওধ্বনী ৰূপত ক'লে - "পূজা-সেৱাৰ পৱিত্ৰতাত ব্যাঘাট ঘটাত মই অদৃশ্য ভাৱে বিৰাজমান হ'বলৈ বাধ্য হ'লো।

তোমালোকে বিধিমতে পূজা-সেৱা কৰি থাকিবা। মই তাৰ ফল আৰু মনস্কামনা পূৰ্ণ কৰি প্ৰমাণ দি যাম। শেষ বিচাৰ তেতিয়া হ'ব, যেতিয়া আকৌ তাত পূজা দিয়া হ'ব।" দেৱীৰ নিৰ্দ্দেশানুযায়ী তেতিয়াই পূজাৰীসকলে যথা ৰীতিৰে পূজা-সেৱা শেষ কৰিলে। মন্দিৰৰ বিশেষ কিছুমান সম্পত্তি লগত লৈ তেওঁলোকে তাৰপৰা গুছি আহিল। সেইবোৰ বোলে এতিয়াও ৰক্ষিত হৈ আছে। সেইদিনধৰি আজিলৈকে তাত পূজা-সেৱা হোৱা নাই।

-০০০-



# দেউৰী আৰু গোসাঁই-মহন্তৰ মাজত চুক্তিৰ লোক-কাহিনী

দেউৰীসকলৰ মাজত এই বুলি জন-প্ৰবাদ আছে যে মহাপুৰুষ শঙ্কৰদেৱে দুবাৰ শদিয়া পৰিদৰ্শন কৰিছিল। তেৰাই দেউৰীসকলক ৰাজ পুৰোহিত আৰু শক্তি-পূজক শ্ৰেণী গোষ্ঠী বুলি জানিছিল। ৰজাই শক্তি পূজা নকৰিলে ৰাজ্যত অপায় অমঙ্গল, বাধা-বিঘিনি ঘটে বুলি বিশ্বাস কৰিছিল। কাৰণ, ৰাজ্য শাসনৰ মূল সমল হৈছে শক্তি। শক্তিহীন ৰাজ্য এখন্তেকো তিষ্ঠি থাকিব নোৱাৰে। পুৰণি কালত ৰাজধৰ্মই প্ৰজা ধৰ্ম আছিল। ৰজা-প্ৰজা উভয়ৰে সাধাৰণ কৰ্ম আছিল দেশ ৰক্ষা কৰা আৰু যুদ্ধ কৰা। দেশৰ স্বাধীনতা ৰক্ষাৰ্থে আৰু সাম্ৰাজ্য বিস্তাৰৰ অৰ্থে শত্ৰুৰ লগত যুঁজিবলৈ দ্বিধাবোধ নকৰিছিল। দেশ ৰক্ষাৰ বিনিময়ত আনকি ৰজাসকলে নৰবলি পৰ্যন্ত চলাইছিল। গতিকে স্বাভাৱিক আৰাধ্য দেৱ-দেৱীও হৈছিল শক্তি। শক্তি লাভ কৰিব পাৰিলেই শক্তিমান হোৱা যায়। সেইকাৰণে শক্তি মতৰ প্ৰভাৱ পূৰ্ণ মাত্ৰাই প্ৰবল ৰূপে গা কৰি উঠিল। ৰজা, ৰাজ-পুৰোহিত, ব্ৰাহ্মণ আদিক দীক্ষা দিয়াটো মহাপুৰুষ শঙ্কৰদেৱৰ নিয়ম নাছিল। সেই দেখি তেৰাই দেউৰীসকলৰ মাজত বিশেষকৈ শদিয়াত ধৰ্ম প্ৰচাৰ কৰা নাছিল। গোসাঁই-মহন্ত সকলেহে তেওঁলোকৰ মাজত ধৰ্ম প্ৰচাৰ কৰিবলৈ পিছত চেষ্টা কৰিছিল। গোসাঁইসকলে শিষ্য ভজাই ধৰ্ম প্ৰচাৰ কৰিবলৈ অনেক চেষ্টা কৰিছিল যদিও তেওঁবিলাক কোনো প্ৰকাৰে মান্তি হোৱা নাছিল। অৱশেষত, গোসাঁই-মহন্ত আৰু দেউৰীসকলৰ পূজাৰীবৃন্দৰ মাজত বোলে এটা চুক্তি হ'ল। চুক্তিমতে দেউৰী সমাজে ঘৰুৱা সকাম-নিকাম আদিত উপাস্য দেৱ-দেৱীক স্মৰণ কৰাৰ উপৰি গোসাঁই ঘৰৰ নামো উল্লেখ কৰিব। থানঘৰলৈ এটি দীপৰ মূল্য হিচাপে তামৰ পইচা একোটা বাব পোৱাৰ দৰে গোসাঁই ঘৰলৈকো একোটা পইচা দিব লাগিব। অৰ্থাৎ পইচা দুটাৰ এটা থানঘৰলৈ আৰু ইটো গোসাঁই ঘৰলৈ যাব। আনহাতে, গোসাঁই-

বছেৰেকৰ বিহুৰ দিনা তোমাক নোৱাই-ধুৱাই তৰাৰ উপৰীত ধাৰণ কৰাব। সেইদিনা পিঠা-পনা খাবলৈ দিব আৰু সেৱা-শুশ্ৰূষা কৰিব। সেইদিন ধৰি বিহুৰ দিনা গৰুক নোৱাই-ধুৱাই তংলেতি আৰু তৰাৰ নতুন পঘাৰে লগুণ দিয়া প্ৰথা চলন্তি হ'ল। কুন্দিমামাৰ শাপত গৰু জনম লৈ মানৱ গোষ্ঠীৰ জীৱন-ধাৰণৰ নিমিত্তে সহায়ক জীৱ হোৱাৰ বাবেই দেউৰী লোক জীৱনত গো-বধ, গো-মাংস ভক্ষণ আদি মহাপাপ বুলি লোক-বিশ্বাস গা-কৰি উঠিল।

-000-



# দেউৰী মিচিমিৰ মাজত সীমা-বিবাদ সম্পৰ্কত লোক-কাহিনী

শদিয়াৰ ওচৰে পাঁজৰে থকা পৰ্বতীয়া জাতিবিলাকৰ লগত দেউৰীসকলে কম-বেছি পৰিমানে সৌহাদ্যপূৰ্ণ ভাৱে বসবাস কৰিছিল। অৱশ্যে মাজে সময়ে সুবিধা বুজি সিবিলাকে ভৈয়ামৰ মানুহৰ ওচৰত অত্যাচাৰ উৎপীড়ন কৰিছিল যদিও দেউৰীসকলক ঘপহ কৈ উপদ্ৰৱ কৰা নাছিল। দেউৰীসকলৰ উপাস্য দেৱ-দেৱীক তেওঁলোকে সম্ভ্ৰম আৰু ভক্তি কৰিছিল। উভয় পক্ষৰ মাজত অকস্মাতে সৃষ্টি হোৱা দেশৰ সীমা নিৰ্দ্ধাৰণ, নৈৰ পানীৰ বিবাদবোৰ মিলা-প্ৰীতিৰে মকামিলা কৰিছিল। দেউৰী আৰু মিচিমিৰ মাজত সীমালৈ বাদানুবাদ সৃষ্টি হৈ মীমাংসা হোৱা তেনে এক মনোৰম লোক-কাহিনী আছে। লোক-কাহিনীটো এনে ধৰণৰ -

এবাৰ বোলে দেউৰী আৰু মিচিমিৰ মাজত ৰাজ্যৰ সীমালৈ উখনা-উখনি লাগিছিল। পূৰ্বেই চত্ৰমালি নৈ খনেই বোলে দুয়ো জাতিৰ দেশৰ সীমা হিচাবে আছিল। পিচত মিচিমি বিলাক কিবা কাৰণত সেই সীমাক লৈ অমান্তি হ'ল। দেউৰীসকলে মিচিমিসকলকেই সীমা নিৰ্দ্ধাৰণ কৰি দিবলৈ ক'লে। সীমা নিৰ্দ্ধাৰণৰ এক পদ্ধতি তেওঁবিলাকে বিচাৰ কৰি উলিয়ালে। দেউৰী পূজাৰী সমন্বিতে গঞা ৰাইজক মাতি নি মিচিমিসকলে ঘোষণা কৰিলে যে চত্ৰমালিৰ উজনিত মিচিমিসকলে আৰু নামনিত দেউৰীসকলে একোটাকৈ ভেটা দিব। শাল মাছ এটা ধৰি আনি সকলো ৰাইজৰ সাক্ষাতত পিঠিত ছেলা কাটি জীয়াই জীয়াই উক্ত নদীত এৰি দিব। সেই মাছটো যাৰ ভেটাৰ ছেপাত সোমাব সেই পক্ষই নৈ খন পাব। কথামতেই কাম। নৈ খনৰ উজনিত মিচিমিসকলে এটা ভেটা দি চেপা পাতিলে। তদানুৰূপ দেউৰীসকলেও নামনিত এটা ভেটা দি চেপা পাতিলে। মিচিমিসকলে শাল মাছ এটা ধৰি আনিলে। সকলোৰে সাক্ষাতত মাছটোৰ ফান্ আৰু পিঠিত ছেলা কাটি ভেটাৰ কিছু উজনিত এৰি দিলে। পিছদিনা দেউৰী আৰু মিচিমিসকলে নিজৰ নিজৰ ভেটা চাবলৈ গ'ল। দেউৰীসকলে

চেপা চাই দেখিলে যে তেওঁলোকৰ চেপাত উক্ত নির্দ্দিষ্ট চিনযুক্ত শাল মাছটো লাগিল। তাকে দেখি মিচিমিবিলাকে কথিত চুক্তি অনুসৰি দেউৰীসকলক চত্ৰমালি নৈ খন এৰি দিব লগীয়াত পৰিল। তেওঁলোকে নিজৰ ওপৰতে খং কৰি মিট্ দা কামুৰি কামুৰি আঁতৰি গ'ল। সেই দিন ধৰি উক্ত নদীলৈকে দেউৰীসকলৰ ৰাজ্যৰ সীমা বুলি গণ্য কৰি মিচিমিসকলে প্ৰৱেশ নকৰা হ'ল। ফলশ্ৰুতিত বহুদিনলৈ দুয়ো জনগোষ্ঠীৰ মাজত শান্তি বিৰাজ কৰিবলৈ ধৰিলে বুলি লোক-কাহিনীত জনা যায়।

-০০০-



# ধান আৰু ধানখেতিৰ উৎপত্তিৰ লোক-কাহিনী

দেউৰীসকলৰ আৰাধ্য দেৱ-দেৱীয়েই হ'ল স্বয়ং কৃষি-কৰ্মৰ গুৰি ধৰোঁতা। অৰ্থাৎ বুঢ়া-বুঢ়ী (গিৰা-গিৰাচি) য়েই জগতৰ উপকাৰৰ অৰ্থে পোন প্ৰথমে কৃষি কৰ্মৰ পাতনি মেলিছিল বুলি লোক প্ৰবাদ আছে।

মানুহ সৃষ্টিৰ পিছত খোৱা-পিন্ধাৰ ব্যৱস্থাৰ বাবে গিৰাক গিৰাচিয়ে কৃষি-কৰ্মত ধৰিবলৈ ক'লে। গিৰাই কথাটো গমিপিতি কৃষি-কৰ্মত সজুঁলিৰ অনুসন্ধানত পৰম সখি কুবেৰৰ ওচৰ চাপিল। বহুদিনৰ মূৰত সখিক দেখি কুবেৰে পৰম সন্তোষ পালে। যথাযোগ্য আদৰ-সম্ভাষণ-আপ্যায়ণৰ পিছত কুশল বতৰা সুধি আগমনৰ উদ্দেশ্য জানি ললে। মানৱ জাতিৰ কল্যাণ কামনাৰ্থে তেওঁ সখিয়েকক সকলো প্ৰকাৰৰ সহায় সহযোগ কৰাৰ আশ্বাস আৰু প্ৰতিশ্ৰুতি দিলে। তেনেকৈয়ে বলদ আৰু নাঙল-যুঁৱলি আদি কৃষি-সঁজুলি গিৰায়ে গোটালে।

ভাল দিন-বাৰ-ক্ষণ চাই-চিতি পথাৰত হাল বাবলৈ গিৰায়ে আৰম্ভ কৰিলে। তেওঁ বেলিৰ মুখামুখিকৈ নাঙলৰ সিৰলুৰে পৃথিৱীৰ বুকুত কৰ্ষণ কাৰ্য আৰম্ভ কৰি দিলে। তেনেকৈয়ে ডাঙৰ পথাৰ এখন চহ কৰি ধান সিঁচিবলৈ প্ৰস্তুত কৰি তুলিলে। পুনৰ ধানৰ সঁচ আনিবলৈ সখিয়েক কুবেৰৰ ওচৰলৈ গ'ল। কুবেৰে চুঙা এটাত দুটা ধানৰ গুটি ভৰাই সোপাটো ভালকৈ বন্ধ কৰি ক'লে - "সখি, ইয়াতে ধানৰ বিধান দিয়া হৈছে। সিচোঁতে চুঙাটো উবুৰিয়াই ধৰিব। সোপাটো সাৱধানে খুলি জোকাৰিলে গিৰ্ গিৰকৈ ধান ওলাই থাকিব। এনেদৰে যিমান ইচ্ছা সিঁচি থাকিব। অন্ত নপৰে। ধান সিঁচাৰ আগতে চুঙাটো কেৱল নুখুলিব।"

ধানৰ সঁচ লৈ গিৰা ঘুৰি আহোঁতে বাটতে সখিয়েকে কিমান ধান দিছেনো বুলি চুঙাটোৰ সোপাটো খুলি হাতৰ তলুৱাত উবুৰিয়াই ধৰি চাওঁতেই এটা ধানৰ গুটি উফৰি গৈ মাটিত পৰিল। বিচাৰি নেপাই 'তোক

চৰাই চিৰিকতি, বৰা-বান্দৰে খাব' বুলি কৈ এৰি থৈ গুচি আহিল। উক্ত ধানটোৰ পৰাই বোলে 'দেওধান' বা 'দেৱধান'ৰ উৎপত্তি হ'ল। ইফালে পথাৰ পাই চুঙাটো খুলি উবুৰিয়াই ধৰি জোকাৰি দিয়াত গিৰ্‌গিৰ্‌কৈ ধান ওলাল। সময়ত ধান গজি পথাৰ নদন-বদন আৰু শস্য-শ্যামলা হোৱাৰ মোহতে গিৰাই ঘৰলৈ নোযোৱা হ'ল। তাকে দেখি গিৰাচিয়ে গিৰাক ঘৰলৈ অনাৰ বুদ্ধি চিন্তা কৰি মাখি, মহ, ডাঁহ, চেৰেপা, জোক, পোক-পৰুৱা আদি নানা কীট-পতঙ্গ স্ৰজন কৰিলে। আৰু সিবিলাকক গৰু হালকে ধৰি গিৰাক আমনি কৰিবলৈ পঠালে। কিন্তু গিৰাক সিবিলাকে একো টলাব নোৱাৰিলে। গিৰাই খেৰৰ জুমুঠি সাজি ধোঁৱা দি সিহঁতক খেদি পঠালে। উপায়ন্তৰ হৈ গিৰাচিয়ে বাঘ স্ৰজন কৰি গৰু হাল ভয় খোৱাবলৈ পঠিয়ালে। কিন্তু তাতো কামত নাহিল। সেই দেখি গিৰাচিয়ে নিজেই ওলাল পথাৰলৈ বুলি। গৈ দেখে পথাৰত হালি-জালি থকা ধাননিখন তেনেই মোহনী হৈ উঠিছে। ধাননি পথাৰৰ মোহত আপ্লুত হৈ হঠাতে গিৰাচিৰ মুখৰ পৰা এটা শব্দ ওলাল। লগে লগে ধাননিত জুই জ্বলি উঠিল। জুই দেখি গিৰায়ে এয়া যে গিৰাচিৰ বাবে ঘটিল বুজিবলৈ বাকী নেথাকিল। তেওঁ তৎক্ষণাত জুই নুমুৱাবলৈ সক্ষম হ'ল। কিন্তু দেখা গ'ল কিছুমান ধান ইতিমধ্যে জ্বলি-পুৰি ছাই হৈ গ'ল। কিছুমান আধা পোৰা আৰু কিছুমান জুইয়ে ডাকিলে। সেইবোৰৰ পৰাই অনেক বিধৰ আৰু ৰঙৰ ধান উৎপত্তি হ'ল। সময়ত ধান পকি চপাবৰ হ'লত ধান দাই চপাই দমাই আনি ভঁড়ালত জাপি-জুপি থোৱা হ'ল। ধানৰ বাকলি গুচাবৰ বাবে আকৌ সখিয়েক কুবেৰৰ পৰামৰ্শ লোৱাত তেওঁ শিলৰ ঢেঁকী, থোৰা আৰু খুবলি উপহাৰ দিলে। লগতে কুলা, চালনি, পাচি, খৰাহী প্ৰভৃতি দিলে।

কৃষি-কৰ্ম কেৱল তেওঁলোক অৰ্থাৎ গিৰা-গিৰাচিৰ মাজতে আৱদ্ধ নেৰাখি নৰমনিচৰ মাজতো বিস্তাৰ কৰিবলৈ প্ৰথমে দেউৰী পূজাৰীবৃন্দক শিকালে। তেনেকৈয়ে দেউৰীসকলে পোন প্ৰথমে তেওঁলোকৰ আদি পৰম পিতা-মাতা অৰ্থাৎ গিৰা-গিৰাচিৰ পৰা কৃষি-কৰ্ম শিকি ল'লে।

-০০০-